চান্দমামা

জানুৱাৰি ১৯৮৮



"অলপ সময় লৈ ভাবি-চিন্তি আজি তাৰে তোমাৰ খেলাঘৰ লোৱা ভাই সাজি!"

-ফেভিফেইৰী



থাকৰ আলনা ধাপে ধাপে কেনেকৈ সাজিব পাৰি, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: "ফেভি ফেইৰী", পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩।

লৰা-লৰিকৈ কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকৈ মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো মহয়
হাত বহি গৈ শেষত হবগৈ
এজনা ভাঙৰ যন্ত্ৰবিদ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ঘৰ, দুৱাৰ, ঘোঁৰা, হাতী,
বাঘ আৰু কত'যে কি।
ঘৰ, আলমাৰী, চকী-মেজ
য'তেই লগোৱা
জোৰা হয় বজ্ৰ কঠিন
টিকেও বহু বেছি দিন।
নিখুঁত হৈ ৰব' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।

নাম:
বয়স:
ঠিকনা:
চহৰ:
ৰাজ্য: পিন:

ফেভিকল এম-আৰ
চিন্থেটিক এধেচিভ

OBM-2213 ASM

উত্তম বস্তু গঢ়িবলৈ হলে উত্তম বস্তু বেই জোৰা দিয় লাগে!

® চুবো আৰু ফেভিকল বাও হ'ল পিডিলাইট ইণ্ডাষ্ট্ৰীজ প্ৰা: লি:, বোম্বাই ৪০০ ০২১-ৰ ৰেজিষ্টাৰ্ড ট্ৰেডমাৰ্ক।

'মেৰি'—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। **গুণত অনুপম! সৌন্দৰ্য্যত অপৰূপ!! গেৰান্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসন্মত অতুলনীয় অলংকাৰ!**

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS

P.O. BOX: 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.

শ্ৰী গৌতম গোস্বামী
৬/১/৮৮

চান্দমামা

*

জানুৱাৰি ১৯৮৮

এই সংখ্যাত আছে

সম্বাদ-বি-সম্বাদ	:	৯	জাদু-জখলা	:	৩৯
জড় ভৰত	:	১০	কৃষ্ণাৰতাৰ	:	৪৩
বেমাৰী কোন ?	:	১১	অভিনৱ দৰব	:	৫১
স্বৰ্ণ-উপত্যকা	:	১৯	সপোনৰ ধন	:	৫৫
স্বাৰ্থ-নিঃস্বাৰ্থ	:	২৭	পতান	:	৫৯
ন-তে ন-অঁৰা	:	৩৩	দুখ আৰু সুখ	:	৬০
আমাৰ দেশৰ বিচিত্ৰ কথা	:	৩৫	প্ৰকৃতিৰ বিস্ময়	:	৬৩

খনে : ২'৫০ পইচা মাথোন * বছৰেকীয়া বৰঙনি : ৩০'০০ টকা মাথোন

নটো আৰম্ভ হওক সুৰভিত সজীৱ আমেজ লৈ মুখত!

পপাৰমেন্ট আৰু
পিয়াৰমেন্টৰ সতেজ সজীৱ
আমেজ। বঢ়িয়া ফৰ্মূলাৰ
নিমিষতে বিয়পি পৰা ফেনেৰে
দাঁত চিকচিকীয়াকৈ
পৰিষ্কাৰ কৰে, নিশ্বাসত
সুগধ সুগন্ধ।
নতুন পণ্ডচ টুথপেষ্টৰে দাঁত
ঘঁহিবলৈ অকণো আমনি
নালাগে, বৰং ভালহে লাগে।

চাব, সৰু সৰু ল'ৰা-
ছোৱালীয়ে এই টুথপেষ্টৰে
দাঁত ঘঁহিবলৈ বৰ ভাল পাব।
আজিয়েই নতুন পণ্ডচ
টুথপেষ্ট কিনক।
আপোনাৰ জীৱনৰ
প্ৰতিটো পুৱা হৈ
উঠক সুন্দৰ,
সাৰ্থক।



বিশেষ উপাদান থকাত ফেনবোৰ দ্ৰুত বিয়পি পৰে। শক্তিশালী ফেনত ...



... বৰ সহজেই দাঁতৰ ময়লা আৰু লুকাই থকা খোৱাবস্তুৰ টুকুৰা চাফা কৰি দি দাঁত সুস্থ আৰু চিকমিকীয়া কৰি তোলে।

নতুন
পণ্ডচ
টুথপেষ্ট

সুস্থ সবল ৰাখে দাঁত, সুৰভিত সতেজ নিশ্বাস

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০.০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬.



চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

এই সংখ্যাৰপৰা নতুন ধাৰাবাহিক 'স্বৰ্ণ-উপত্যকা' আৰম্ভ হ'ল। এই ধাৰাবহিক কাহিনীভাগৰ সম্পৰ্কে পাঠক-পাঠিকাসকলৰপৰা মতামত আহ্বান কৰা হৈছে। বেমাৰী আৰু চিকিৎসকৰ সম্পৰ্কে বিশেষ দৃষ্টিকোণৰপৰা আলোকপাত কৰা হৈছে এই সংখ্যাৰ ১১ পৃষ্ঠাত। আৰু আন কিছুমান বেমাৰ আছে—যিবোৰ বেমাৰ দৰাচলতে মনৰহে বেমাৰ, যিবোৰ বেমাৰৰ দৰব নাই। তেনেকুৱা এটি ঘটনা আছে ৫১ পৃষ্ঠাত। এই সংখ্যাৰ অন্যান্য গল্প-কাহিনীও অতি আকৰ্ষণীয়।

অমৰ-বাণী

জাতস্য নদীতীৰে তস্যাপি তৃণস্য জন্মসাফল্যম্।
যৎ সলিলমজ্জনাকুল জনহস্তালম্বনম্ ভৱতি॥

[নদীৰ পানীৰ সোঁতত ডুবি যাবলৈ ধৰা কাৰোবাক যদি ঢৌৰে ঢৌৱাই ঢৌৱাই কোনোবা জনক পাৰ পোৱায়হি, তেনেহ'লে সেই নদীতীৰস্থ দূবৰিয়েও সাৰ্থকতা লভে।]

বছৰ : ১২ জানুৱাৰি ১৯৮৮ সংখ্যা : ১০

খনে : ২.৫০ টকা : : বছৰেকীয়া বৰঙণি : ৩০.০০ টকা

No share prices,
no political fortunes, yet...

Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma.

– from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

THE HERITAGE

CMP-2155

So much in store, month after month.

চান্দমামাৰ সম্বাদ-বি-সম্বাদ



সৰ্বনাশ-স্বৰ্গবাস

মধ্যপ্ৰদেশৰ গাব্ডি নামৰ গাঁৱত চৰগ পৰি ল'ৰা এটিৰ মৃত্যু হৈছিল। কিন্তু একেটা ঘটনাৰ ফলত জন্মৰেপৰা বোবা ল'ৰা এটিয়ে মাত-বোল কৰিব পৰা হৈছিল!

ধন-ভঁৰালীৰ সমাধি



মিছৰদেশৰ সুবিখ্যাত ফ্লাৰাও টোটেনখামেনৰ ধন-ভঁৰালীৰ কথা চাগে' বহুতেই শুনিছে। পুৰোহিত মায়াগোৰী আৰু তেওঁৰ পত্নী মেৰী গোৰীৰ বিষয়ে সম্প্ৰতে কিছুমান কথা জনা গৈছে। এই সুবিখ্যাত ধন-ভঁৰালীৰ মূল্যবান বস্তু-সামগ্ৰী সমাধিস্থ আছে বুলি অনুমান কৰা হৈছে।



আটাইতকৈ ওখ

মস্কোত যেতিয়া 'ফেস্টিভেল অব্ ইণ্ডিয়া' আৰম্ভ হ'ল, তেতিয়া তাত এজোপা দেৱদাৰু বা উঁৰৈ গছ ৰোৱা হৈছিল। দেৱদাৰু সাধাৰণতঃ ১০০ ফুট ওখ হয়। এইজোপা গছেই এই উদ্যানখনৰ আটাইতকৈ ওখ গছ হ'ব বুলি অনুমান কৰা হৈছে।

লুকা-ভুমুকা

দ্বিতীয় বিশ্বযুদ্ধৰ কালছোৱাত কুম্বা পান্ চান্কো নামৰ সৈন্য এজনে ইউক্ৰেনৰ পুলিছ বিষয়াসকলৰ দৃষ্টিক ফাঁকি দি, জাৰ্মানইতৰ কবলত নপৰাকৈ আত্মগোপন কৰিছিল। বৰ্তমানে এই সৈন্যজনৰ বয়স ৭৯ বছৰ। এওঁ বান্ধনিঘৰতে ৪২টা বছৰ পাৰ কৰি দিলে! আগতে এওঁৰ পৰিয়ালৰ আন সকলোটিয়েই এওঁৰ মৃত্যু হোৱা বুলি কৈছিল!

জড় ভৰত

ভৰত নামৰ এগৰাকী ৰজা আছিল। বৃদ্ধ বয়সত, পুত্ৰসৰক ৰাজ্যশাসনৰ দায়িত্ব অৰ্পি তেওঁ সন্ন্যাসী হৈ বনলৈ গুচি গ'ল। এদিন নদীত স্নান কৰি থাকোঁতে তেওঁ এটি হৰিণা-পোৱালি দেখা পাই হৰিণা-পোৱালিটিক তেওঁৰ আশ্ৰমলৈ লৈ গ'ল। দিনে দিনে হৰিণা-পোৱালিটি ডাঙৰ-দীঘল হৈ থাকিল। ভৰতে তেওঁৰ মৃত্যুৰ মুহূৰ্ততো হৰিণা-পোৱালিটিৰ কথা ভাবিছিল। সেই কাৰণে পিছৰ জনমত ভৰতে হৰিণা-পোৱালিৰ জনম পালে। এই জনমত তেওঁৰ মনত পৰিল আগৰ জনমৰ কথা. মনত পৰিল সেই হৰিণা-পোৱালিটিৰ কথা। তাৰ পাছত তেওঁৰ পুনৰ মৃত্যু হ'ল। এইবাৰ তেওঁ এগৰাকী ব্ৰাহ্মণ-পৰিয়ালত জন্মগ্ৰহণ কৰা হ'ল।

পূৰ্ব পূৰ্ব জনমৰ সকলো কথা মনত থকা হেতুকে তেওঁ হৈ পৰিছিল আসক্তিহীন মানুহে তেওঁক অজলা বুলি ভাবিছিল। ভৰতৰ সতিয়ৈ মাকে তেওঁক বৰকৈ খটুৱাইছিল। সতিয়ৈ-মাকৰ গালি-শপনি কৰ্কৰ্থনা-বিকৰ্থনা সহিব নোৱাৰি ভৰত পুনৰ সন্ন্যাসী হ'ল।

কিন্তু ৰাজপ্ৰহৰীইতে ভৰতক ধৰি লৈ গ'ল আৰু তেওঁক ৰজাৰ দোলাভাৰী হিচাপে কামত লগালে। দোলাভাৰীৰ কাম কৰোঁতে ভৰতে এনেকৈ খোজ লৈছিল, যাতে তেওঁৰ ভৰিৰ তলত পৰি এটা পৰুৱাও নমৰে। এইদৰে খোজ কঢ়াৰ ফলত দোলাখন সদায় ইকাতি-সিকাতি হৈছিল। ৰজাই এদিন ভৰতৰ এনে অতপালি সহিব নোৱাৰি দোলাৰপৰা নামি আহি ভৰতক মৰিয়াবলৈ ধৰিলে। ভৰতে একো ন'কলে। কিন্তু মাৰ খায়ো ভৰতে ৰজাক পুৰাণৰ সাধু কৈ থাকিল। তেতিয়া ৰজাই নিজৰ ভুল তথা অপৰাধ বুজি পাই দোলাভাৰীৰূপী ভৰতক প্ৰণাম কৰিলে। কিন্তু তথাপি ভৰতৰ মনত একো প্ৰতিক্ৰিয়া নহ'ল। ভৰত নিৰ্বিকাৰভাৱে অৰণ্যলৈ গুচি গ'ল আৰু তাত তপস্যা কৰি মুক্তিলাভ কৰিলে। দুঃখ-কষ্টৰ প্ৰতি সম্পূৰ্ণ উদাসীন থকাহেতুকে ৰাইজে তেওঁক 'জড় ভৰত' অৰ্থাৎ নিৰ্জীৱ ভৰত বুলি কৈছিল।

বেমাৰী কোন?

দিৰাকৰ নামৰ এজন ধনী মানুহ আছিল। এবাৰ তেওঁৰ টান বেমাৰ হৈছিল। বৈদ্যই তেওঁক ভাল কৰি তোলাৰ পাছত কৈছিল, "আপোনাৰ এই বেমাৰ অতি মাৰাত্মক। এবাৰলৈ মই কেনেবাকৈ ভাল কৰি তুলিলোঁ; কিন্তু এই বেমাৰে পুনৰ উক দিব পাৰে।"

"পুনৰ যাতে নহয়—তাৰ বাবে কিবা দৰব-পাতি নাইনে?"

"নথকা নহয়, আছে। পিছে—এবাৰকৈ একেৰাহে ত্ৰিশ দিন খাব লাগিব সেই দৰব। কিন্তু তথাপি যে এই বেমাৰে পুনৰ নধৰিব, সেই কথা ন-দি ক'ব নোৱাৰি। সকলো ভাগ্যৰ কথা।" বৈদ্যই দিৰাকৰক ক'লে।

"মই ভাগ্যবাদী নহওঁ, ভাগ্যলৈ মোৰ বিশ্বাস বা নিৰ্ভৰতা একো নাছিল, নায়ো। মই সেই এমহীয়া দৰব খাম।" দিৰাকৰে দৃঢ়তাৰে ক'লে।

বৈদ্য পদ্মনাভই অলপ ভবা-গুণা কৰি ক'লে, "দৰবৰ—দাম কিন্তু ঢেৰ। প্ৰথম মাহত লাগিব পঁচিছ হাজাৰ মোহৰ, দ্বিতীয় মাহত লাগিব পোন্ধৰ হাজাৰ, তৃতীয় মাহৰপৰা তিনি মাহলৈ দহ হাজাৰকৈ খৰচ হ'ব। ইমান খৰচৰ কথা ভাবিহে মই এনেবোৰ বেমাৰীক বেছিদিনলৈ এই দৰব খোৱাৰ কথা নকওঁ।"

"নোকোৱাই ভাল। কিন্তু—ইমান খৰচ হ'বইবা কিয়?" দিৰাকৰে সুধিলে।

"আপুনি লাখপতি মানুহ। জীৱনত ঢেৰ আয়-উপাৰ্জন কৰিলে। এই খৰচ আপোনাৰ পক্ষে বৰ বেছি নহ'ব যেন

পাওঁ, আপোনাৰ ধনতকৈ প্ৰাণৰ দাম ঢেৰ ঢেৰ বেছি।” বৈদ্য পদ্মনাভই ক'লে।

এই কথাৰ উত্তৰত মহাধনিক দিৰাকৰে ৰংমনেৰে ক'লে, “এতিয়া মই ষাঠিৰ দুৱাৰত ভৰি দিছোঁ। জীৱনত ঢেৰ উপাৰ্জন নকৰিলেও — উপাৰ্জন অলপ নকৰা নহয়। ঠিক। কিন্তু ওপৰি ওপৰি চালে আমাৰ আ-অৱস্থাৰ বুজবাজ লোৱা তেনেই টান। আমি বকুৰাও যিমানৰ, ধকুৰাও সিমানৰে। নিজৰ বোলা আছে যিমান, আনক দিব লগাও সিমানেই। এই বছৰটোত অলপ ভালকৈ বেপাৰত ধৰিম বুলি ভাবিলোঁ, ধৰিলে এই আপদীয়া বেমাৰে। এতিয়া—মই যিমান জীয়াই থাকিম, মোৰ ল'ৰা ছোৱালীহঁতৰ ভৱিষ্যতো সিমানেই অন্ধকাৰ। আগতে যেনেকৈ ৰইনাইদি কোঁচাইছিলোঁ, এতিয়া যদি তেনেকৈ উৰাই দিওঁ—সেয়া মূৰ্খতাৰহে নামান্তৰ হ'ব।”

পদ্মনাভ বৈদ্যই দিৰাকৰক ক'লে, “খৰচৰ কথাত ইমান খৰলি নিপিটিব। এই—বিষয়ে মই আপোনাৰ ল'ৰাহঁতৰ লগত কথা পাতিম বাৰু।”

লগে লগে দিবাকৰে কৈ উঠিল, “যোৱা পাঁচবছৰৰপৰা বেপাৰ-বণিজ চোৰা-চিঁতাৰ দায়িত্ব ল'ৰাহঁতকে দিলোঁ। সিহঁতে মোক অযত্ন-অনাদৰ কৰা নাই, মোৰ লগাখিনি খোজাৰ আগতেই পাওঁ! তাতকৈ অধিক মই সিহঁতৰপৰা আশা নকৰোঁ। যি কি নওহক—এতিয়াও মই বেপাৰ-বণিজৰ কাম চলাব পাৰোঁনে নোৱাৰোঁ—তাৰ পৰীক্ষা ল'বলৈ আকৌ বেপাৰৰ দায়িত্ব নিজেই ল'ম বুলি ভাবিছোঁ।”

“চাওক, দৰৱ যদি নাখায়, বেছিদিন নাবাচিব। আগতে আৰ্জন, পাছত বিসৰ্জনৰ যি আঁচনি লৈছে, তাৰপৰা বিৰাট অনিষ্টও হ'ব পাৰে।” পদ্মনাভই ক'লে।

“ঠিক আছে, মোক বচাব পাৰেই যদি—সেই বিশ্বাস যদিহে আপোনাৰ

আছে—দিয়কেই দৰব। ছমাহৰ অন্তত মই আপোনাক এক লাখ মুদ্ৰা দিম।” দিৱাকৰে বৈদ্য পদ্মনাভক ক'লে।

পদ্মনাভই অবাক হৈ ক'লে, “এক লাখ মুদ্ৰা! দিব? ছমাহৰ ভিতৰত আপুনি ইমান মুদ্ৰা আৰ্জিব আৰু সাঁচিব!”

“নোৱাৰাৰ হেতু নাই। আপোনাৰ নিচিনা সাধাৰণ বেজ এজনে যদি দহ মাহৰ ভিতৰত পচপন হেজাৰ মুদ্ৰা ৰোজকাৰ কৰিব পাৰে, মোৰ নিচিনা কাৰবাৰী এজনে এক লাখ মুদ্ৰা ৰোজকাৰ কৰিব পাৰিব।” দিৱাকৰে ক'লে।

কথাতে কথা বাঢ়ে, গতিকে পদ্মনাভই আৰু নবঢ়ালে, আৰু সেই দিনাৰেপৰাই দিৱাকৰক দৰব খুৱাবলৈ ধৰিলে।

এমাহৰ অন্তত বৈদ্য পদ্মনাভই দিৱাকৰক ক'লে, “চাওক, আপুনি যে যোৱা এমাহত কিমান ধন আৰ্জিলে, ক'ব নোৱাৰোঁ। পিছে—মোক কমেও দহ হেজাৰ মুদ্ৰা দিব পাৰে যদি বৰ উপকৃত হ'ম।”

“ছমাহ পূৰ হওক, একেলগে এক লাখ পাই যাব। চিন্তা নকৰিব।”

“শুনক, মোৰ পাৰিবাৰিক—বিশেষকৈ আৰ্থিক অৱস্থা সন্তহতে বৰ বেয়া হৈ পৰিছে। মোৰ পক্ষে পাঁচ মাহলৈ বৈ থকা সম্ভৱ নহয়।” বৈদ্যই ক'লে।

“আপোনাৰ পাৰিবাৰিক তথা আৰ্থিক অসুবিধাৰ বিশদ বিবৰণ দিয়ে যদি—মই সৎ পৰামৰ্শ আগ বঢ়াম।”

“চাওক, মোৰ ডাঙৰ ছোৱালীজনীৰ বিয়াত দিবলগা যৌতুক দহ হেজাৰ মুদ্ৰা এতিয়ালৈকো মই দিব পৰা নাই। এতিয়া—এই টকাখিনি যদি নিদিওঁ, মোৰ নাতিনীজনীৰ বিয়া নহ'ব।”

“এয়া কোনো সমস্যায়েই নহয়। দহ হেজাৰ বা বিছ হেজাৰ মুদ্ৰা নগদ যৌতুক হিচাপে লৈ আপুনি আপোনাৰ ডাঙৰ ল'ৰাটোৰ বিয়া পাতক আৰু তাৰপৰা ডাঙৰ ছোৱালীজনীক দহহেজাৰ দিয়ক।”

তেতিয়া তাৰপৰা দহ হেজাৰ লৈ আপুনি আপোনাৰ ডাঙৰ ছোৱালীজনীক দিয়ক। মুদ্ৰাখিনি আপুনি অৱশ্যে ধাৰ হিচাপেই ল'ব।" দিৱাকৰে পদ্মনাভ বৈদ্যক বঢ়িয়া উপায় বতাই দিলে।

কেইদিনমানৰ পাছত বৈদ্য পদ্মনাভই দিৱাকৰক ক'লেহি, "হেৰি হ'ল নহয়— আপোনাৰ কথামতে কাম কৰি এইবাৰলৈ মোৰ সমস্যাৰ সমাধান হ'ল।"

কিন্তু পাছৰ মাহত বৈদ্য পদ্মনাভই পুনৰ দিৱাকৰৰপৰা মুদ্ৰা খোজাত দিৱাকৰে অলপো উত্তেজিত নহৈ পদ্মনাভক সুধিলে, "আকৌ কি হ'ল?"

"নক'ব আৰু হেৰি! তেওঁ—মানে মোৰ তেওঁক কেইপদমান গহনা গঢ়াই দিব লাগিবই। একেবাৰে বজৰলেপৰ দৰে ধৰিছে। কথা ইমানেই নহয়। এক লাখ মুদ্ৰা পোৱাৰ কথা শুনি প্ৰতিজন-জনী চিনাকি মানুহেই মোৰপৰা কিবা-নহয়-কিবা খুজিছে। মোৰ পাওনাদাৰইতে পুৱাৰপৰা দোভাগ নিশালৈকে মোক তাগাদা দিয়া হৈছে। পাঁচ হেজাৰৰ কমে ইহঁতৰ কবলৰপৰা ৰেহাই পোৱাৰ আশা নেদেখোঁ।" বৈদ্য পদ্মনাভই ক'লে।

"মই আপোনাক এক লাখ মুদ্ৰা দিম, তাৰপৰা আপুনি আপোনাৰ ডাঙৰ

দিৱাকৰে দেখাদেখিকৈ সমিধান দিলে।

"কথা আপুনি হওঁতে ঠিকেই বতাইছে। পিছে— হেৰি হ'ল নহয় হেৰি, মোৰ ডাঙৰ ল'ৰাটোৰ বিয়া কেতিয়াবাই হৈ গ'ল। আৰু সি তাৰ বিয়াত যি পালে, মোক এপইচায়া এটা তো নিদিলেই, বৰঞ্চ সি তাৰ চাৰু আৰু জৰুক লৈ বেলেগ হ'ল।" বৈদ্য পদ্মনাভই ক'লে।

"তেনেহ'লে—আৰু সহজ সমাধান আছে দেখোন। মই যে সেই এক লাখ মুদ্ৰা দিম আৰু পাঁচ মাহৰ অন্তত, সেই কথা পো-বোৱাৰীক ক'লেই সিহঁত আকৌ আপোনাৰ ওচৰত আহিব, থাকিবহি চাব।

ল'ৰাটোক দিব লাগিব, পৰিবাৰৰ গহনা গঢ়াব। এক লাখ মুদ্ৰা পোৱাৰ পাছত নিশ্চয় ঘৰটোও অলপ বঢ়াব, ধাৰ-ধুৰ মাৰিব। এতিয়াই আপোনাৰ ধাৰৰ যি পৰিমাণ—ৰোজকাৰতকৈ দেখোন ঢেৰ বেছি!" দিৱাকৰে ক'লে।

দিৱাকৰৰ কথা শুনি পদ্মনাভৰ মুখখন ক'লা পৰিল। পদ্মনাভই ক'লে, "আপোনাৰ অনুমান নিৰ্ভুল। মোৰ পৰিবাৰে আমাৰ সৰুটোক ইমান লাই দিয়ে যে তাৰ ফলত প্ৰতি মাহতে মোৰ আয়তকৈ ব্যয় বেছি।"

"আপুনি তেন্তে কাম এটা কৰক! বেজালি কৰি যে আপোনাৰ আৰু নচলা হৈছে—সেই কথা পৰিষ্কাৰ। আৰু—মোৰ নিচিনা বেমাৰী আপুনি চিৰটিকাল নাপায়। গতিকে আপোনাৰ সৰু ল'ৰাটোক বেহা-বেপাৰত সাঙুৰি দিয়ক। এবাৰ যদি সি আৰ্জনৰ সোৱাদ পায়, তেতিয়া কেতিয়াও বেপাৰ বৰ্জন কৰিব নোৱাৰে।" দিৱাকৰে ক'লে।

"কিন্তু সি প্ৰথম মাহতে মূলধন নষ্ট কৰি পেলাব বুলি মোৰ আশংকা হৈছে।" বৈদ্য পদ্মনাভই ক'লে।

দিৱাকৰে মিচিকীয়াই হাঁহি মাৰি ক'লে, "আপুনি আপোনাৰ সৰুটোক যিমান গৰু বুলি ভাবিছে আচলতে সি তেনেকুৱা নহয়। ৰত্নবৰ্মাৰ সৈতে তাৰ বন্ধুত্ব আছে। সিহঁত দুয়ো পৰস্পৰক খুব বিশ্বাস কৰে। ৰত্নবৰ্মাও দৰিদ্ৰ, কিন্তু যোগ্যবান। আপুনি এটা কাম কৰক। আপোনাৰ পেটমচাজনীক ৰত্নৰ সৈতে যত্ন কৰি যোৰা পাতি দিয়ক। তেতিয়া চাব, খুলশালী-ভিনিহীয়েকে লগ লাগি কেনেকৈ কাৰবাৰ কৰে।"

"আপোনাৰ পৰামৰ্শ অতি উচ্চস্তৰৰে হৈছে। পিছে—মস্কিল হ'ল মূলধনৰ কথাত। তাক বেপাৰত সাঙুৰিবলৈ হ'লেও মূলধন তো লাগিবই।" বৈদ্য

পদ্মনাভই চিন্তিতভাৱে ক'লে, "এইখিনি মূলধন বাৰু আপুনি দিবনে?"

এই কথাৰ উত্তৰত দিৱাকৰে ক'লে, "এটা কাম কৰক। আপোনাৰ ঘৰত আছে পঞ্চাছ বস্তা ধান আৰু ত্ৰিশটা নাৰিকল। প্ৰতিদিন কেইবস্তামান ধান, কিছুমান নাৰিকল লৈ আপোনাৰ সৰু ল'ৰাটো হাটলৈ যাওক। যাওক—যাওক—গৈ থাকক—গৈয়েই থাকক—প্ৰতিদিন-প্ৰতি হাট! চাব, কিছুদিনৰ পাছত সি বেপাৰৰ মজা পাব আৰু তেতিয়া তাৰ লগে লগে তাৰ বন্ধু ৰত্নয়ো বেপাৰত ধৰিব।"

প্ৰায় বিছদিনমানৰ অন্তত পদ্মনাভই দিৱাকৰক ক'লেহি, "হেৰি হ'ল নহয়—আপোনাৰ হেৰিত হেৰি কৰি বৰ ভাল হেৰি পাইছোঁ হেৰি। সৰু ল'ৰাটোক আপোনাৰ পৰামৰ্শমতে কাৰবাৰত সাঙুৰি তাক পোনাব পাৰিছোঁ।"

এই ঘটনাৰ এমাহৰ অন্তত পদ্মনাভই পুনৰ অলপ মুদ্ৰা খোজাত দিৱাকৰে ক'লে, "মই যে ছমাহ পূৰ নোহওঁতে মুদ্ৰা নিদিওঁ সেই কথাটো জানিও কিয় খুজিছে? আপোনাৰ অৰ্থলোভ অতি প্ৰবল। ইমান অৰ্থলোভ থাকিলে কেতিয়াও সুখ নাপায়। আৰু—মনত সুখ-শান্তি নাথাকিলে অৰ্থ উপাৰ্জন কৰাটোও টান। এটা কথা ভাবি চাওক, আমাৰ আয়-উপাৰ্জন আনৰ কাৰণেহে!"

"চাওক, কথাত বোলে ধন লাছ ধন বাছ ধন হ'লে ভাল মাছ। ধন নথকাৰ আপোন মানুহো পৰ হয়, মান-সন্মান আঁতৰ হয়।" পদ্মনাভই ক'লে।

"কেৱল ধন থকা বাবে যিহঁতে সন্মান প্ৰদৰ্শন কৰে, সিহঁত কেতিয়াও আপোন মানুহ নহয়! আৰু এনেবোৰ মানুহৰ কাৰণে ধন অৰ্জা অৰ্থহীন। যেতিয়া ধন থাকিব, যাক মন যায় তাকে দিব।" দিৱাকৰে পৰামৰ্শ দিলে।

এই কথা-বতৰাৰ এমাহৰ অন্তত বৈদ্য



পদ্মনাভই দিৱাকৰক ক'লেহি, "হেৰি ডাঙৰীয়া, আপোনাৰ কথা আখৰে আখৰে হেৰি—মানে—সঁচা। এতিয়া—যেতিয়া সকলোটিয়েই জানি গ'ল যে মই আপোনাৰপৰা এক লাখ মুদ্ৰা পাম, তেতিয়া ঘৰে-দুৱাৰে বাটে-পথে পথাৰে-সমাৰে সকলোটিয়ে মোক প্ৰণাম কৰা হ'ল আৰু সিহঁতৰ আলৈ-আহুকালৰ কথা সদা-সৰ্বক্ষণ কোৱা হ'ল!"

"আপোনাক দেখিছোঁ শনিয়ে ধৰিলে। ইহঁতে আপোনাক দেখিছোঁ জুৰুলা কৰিহে এৰিব। ওহোঁ, আপোনাক বচাবই লাগিব দেখিছোঁ। এটা কাম কৰক। ইহঁতক এতিয়াৰপৰা কওক যে—মই আপোনাক আভুৱাহে ভাঁৰিছোঁ, এটা মুদ্ৰাও নিদিওঁ। এই বুলি কওক সকলোকে। তাৰ পাছতো যিহঁতে আপোনালৈ সন্মান জনাব, সেৱা-যত্ন খাতিৰ-বাতিৰ কৰিব, সিহঁতক ইটো-সিটো দিব।" দিৱাকৰে পদ্মনাভক পালী চাই ৰাগ টানিবলৈ ক'লে।

"তেনেহ'লে দেখোন মোৰ বোলা কোনো-কেও নাথাকিব!" পকনীয়াত পৰা যেন পাই পদ্মনাভই ক'লে।

দিৱাকৰে কৈ উঠিল, "নাথাকিলেও কথা নাই, ডাঙৰ ছোৱালীজনীক দহ হেজাৰ দিলেই নহয়? আৰু সৰুজনীকো বিয়া দিলে, সৰু ল'ৰাটোক পৈণত কাৰবাৰী কৰি তুলিলে। আৰুনো কি লাগিছে আপোনাক? আপোনাৰ সকলো সমস্যাৰ সমাধান দেখোন হৈ গ'ল!"

তাৰ পাছত পদ্মনাভই যেতিয়া দিৱাকৰে শিকাই দিয়া মতে সকলোকে ক'লে, তেতিয়া সকলোটিয়েই দিৱাকৰৰ প্ৰতি ক্ৰুদ্ধ হৈ উঠিল আৰু বৃদ্ধ বৈদ্য পদ্মনাভৰ প্ৰতি সহানুভূতিশীল হ'ল।

এই ঘটনাৰ এমাহৰ অন্তত এদিন দিৱাকৰে বৈদ্য পদ্মনাভক মতাই অনাই ক'লে, "পাছত যাতে মোক বেয়া নাপায়

—সেই দেখি আপোনাক আগতীয়াকৈয়েই কৈ থওঁ, মই কিন্তু আনকি ছমাহৰ অন্ততো আপোনাক এটা ফুটাকড়ি-কণামাকৰিও নিদিওঁ।"

"এঁ!" বৃদ্ধ পদ্মনাভৰ মুখখন ক'লা পৰিল। তেওঁ ক'লে, "আপুনি সঁচাসঁচিকৈ তেন্তে মোক ভাঁৰিলে!"

"আচলতে, আপুনিহে হয়, আপুনিহে মোক ভাঁৰিছিল। মোৰ অতি সাধাৰণ বেমাৰ এটাক আপুনি অসাধাৰণ তথা ভয়ংকৰ কৰি তুলি মোক ভয় খুৱাইছিল।" দিৱাকৰে ক'লে।

তেনেহ'লে — জানি-বুজিও আপুনি ইমান দিন ধৰিব বটলে বটলে দৰব খাইছিলনো কিয়?" বৈদ্য পদ্মনাভই দিৱাকৰক সুধিলে।

তেতিয়া দিৱাকৰে বৈদ্য পদ্মনাভই দিয়া দৰবৰ বটলবোৰ উলিয়াই আনি পদ্মনাভক ক'লে, "এয়া লওক আপোনাৰ দৰব। মই এপালিও খোৱা নাই। ভালকৈ চাই লওক।"

পদ্মনাভই সেই দৰবখিনিলৈ এপলক চায়েই বুজি পালে যে দিৱাকৰে সঁচা কথাকে কৈছে। লাজ পাই বৈদ্য পদ্মনাভই হাত যোৰ কৰি দিৱাকৰক ক'লে, "মই আজি বুজি পালোঁ যে আপুনি বেমাৰী নাছিল, মইহে। মই আপোনাক চিকিৎসা কৰা নাছিলোঁ, আপুনিহে মোক চিকিৎসা কৰিছিল, চিকিৎসা কৰিছিল মোৰ এই অপৰিসীম ধনৰ লোভৰ। আপোনাৰ ওচৰত উপযাচি প্ৰতিশ্ৰুতি দিছোঁ, আগলৈ মই চিকিৎসাৰ নামত শোষণ নকৰি মানুহৰ সেৱাত নিজক উছৰ্গা কৰিম।" এই বুলি কৈ, দিৱাকৰক প্ৰণাম কৰি, বৈদ্য পদ্মনাভ গুচি গ'ল।

জীৱনৰ বাকী কালছোৱা বৈদ্য পদ্মনাভই মানৱতাৰ সেৱাত নিজক প্ৰকৃততেই নিয়োজিত কৰিছিল।

স্বৰ্ণ-উপত্যকা

বহু বহু কালৰ আগৰ কথা। সুউচ্চ পৰ্বতমালা আৰু সুগভীৰ অৰণ্যৰ মাজত আছিল এখন দেশ। আৰু এই বিচিত্ৰ দেশখনৰ নাম আছিল 'স্বৰ্ণ-উপত্যকা'। এই সুউচ্চ পৰ্বতমালাৰ পিছফালে আন কেইবালানি পৰ্বতো আছিল; কিন্তু সৰ্বশেষ পৰ্বতমালাতে এইখন পৃথিৱী, বা দিগন্তৰো শেষ যেন বোধ হৈছিল। যেনিবা—তাৰ পিছত নিঃসীম শূন্য!

এইখন দেশৰ প্ৰজাইঁত আছিল সুখী।

কিন্তু এইখন দেশৰ কিছুমানৰ মন-প্ৰাণত আছিল অপাৰ দুখ। সিহঁতক সদায় অধিকতকৈয়ো অধিক সুখ লাগিছিল, ধন লাগিছিল, লাগিছিল সা-সম্পদ। এনেবোৰ অসুখীইঁতৰ মাজত দেশৰ ৰজা আৰু তেওঁৰ কিছুমান অনুচৰৰ তথা কৰ্মচাৰীৰ নাম উনুকিয়াব পাৰি।

দেশৰ প্ৰজাবৰ্গৰ আ-অৱস্থাৰ বুজ-বাজ লোৱাৰ মনেৰে স্বৰ্ণ-উপত্যকাৰ ৰজাই কিছুমানক অনুসন্ধানৰ কামত লগাইছিল। দেশৰ বিভিন্ন ঠাই পৰ্য্যবেক্ষণ কৰাৰ পাছত অনুসন্ধানকাৰীইঁতে ক'লে যে—এই দেশৰ প্ৰজাবৰ্গই ৰজাৰ মংগলকে নিজৰ মংগল বুলি ভাবে তথা বিশ্বাস কৰে।

আৰু এই কথা শুনি ৰজাই নিজক এগৰাকী মহাজ্ঞানী বুলি ভাবিলে।

তাৰ পাছত আন কেইজনমান মহা-জ্ঞানীক সমৱেত কৰা হ'ল। এই মহাজ্ঞানী

মনোজ দাস

সকলে ৰাজসভাত ঘোষণা কৰিলে যে, দেশৰ ৰজা কামৰ হেঁচাত দোঁ খাই পৰিছে, তেওঁৰ মাজত আনন্দৰ অভাৱ আছে। এতেকে, তেওঁক আনন্দ দিবলৈ দেশৰ বিশিষ্ট গায়কইঁতে গান গাই শুনাব লাগিব।

কথামতে কাম হ'ল। দেশৰ বিখ্যাত গায়কসকলে তলমূৰ হৈ ৰাজসভাত গান গালে। কিন্তু ৰজাই দুখহে পালে এই চাকৰহেন গায়কইঁতক দেখি।

এই দেশৰ প্ৰজাবৰ্গই সিহঁতৰ দেশৰ সৌ সিপাৰত—দূৰণিৰ পৰ্বতমালাৰ আঁৰত যিখন দেশ ছঁয়া-ময়াকৈ দেখা পাইছিল, সেইখন দেশৰ সা-সম্পদৰ কথা শুনি কেতিয়াবা কেতিয়াবা দীঘলকৈ হুমুনিয়াহ কাঢ়িছিল। সিহঁতে সেই ৰহস্যময় দেশখনৰ পৰ্বতৰ গাত সদায় স্বৰ্গাভ আভা দেখা পাইছিল। সিহঁতে ভাবিছিল যে সেইখন দেশ সোণোৱালী পৰ্বতৰ মাজত থকা বাবেহে সেই দেশখনক 'স্বৰ্ণ-উপত্যকা' বুলি কোৱা হয়।

স্বৰ্ণ-উপত্যকাৰ বিষয়ে প্ৰজাবৰ্গৰ মাজত বহু ধৰণৰ কিংবদন্তী প্ৰচলিত আছিল। এসময়ত সেইখন দেশত হেনো সোণৰ খনি আছিল আৰু এতিয়াও নথকা নহয়। হাজাৰ বছৰৰ আগতে সেই দেশৰ যিগৰাকী ৰজা আছিল, তেওঁ আছিল হেনো বিৰাট জ্ঞানী আৰু গুণী আৰু মহাধাৰ্মিক পুৰুষ। তেওঁ আছিল হেনো একেধাৰে চিত্ৰশিল্পী আৰু ভাস্কৰ। ধ্যানৰ যোগেদিহে ৰজাই তেওঁৰ দেশত সোণৰ সা-সন্ধান পাইছিল। ধ্যানপ্ৰাপ্ত সোণৰ খনিৰপৰা সোণ বুটলি আনি ৰজাই তাত এগৰাকী সোণৰ যুৱতী-মূৰ্তি নিৰ্মাইছিল। এদিন এই মূৰ্তি প্ৰদৰ্শন কৰিবলৈ দেশৰ প্ৰজাবৰ্গলৈ আহ্বান জনাইছিল। আৰু এই ছেগতে হেনো ৰজাৰ দুষ্ট মন্ত্ৰীয়ে দেশত বিশৃংখলা সৃষ্টি কৰিছিল। যেনেতেনে দেশখন অধিকাৰ কৰি এই সোণৰ খনিৰ অধিকাৰী হ'ব—এয়ে আছিল ধূৰ্ত মন্ত্ৰীৰ



উদ্দেশ্য। এই বাবে মন্ত্রীয়ে চুবুৰীয়া ৰাজ্যৰ ৰজাৰ সৈতে যোগসূত্র স্থাপন কৰিলে আৰু চুবুৰীয়া ৰাজ্যৰ ৰজাৰ সহায়ত এই ৰাজপ্রাসাদ চাৰিওফালৰপৰা আগুৰি ধৰিলে। কিন্তু ৰজাৰ প্ৰহৰীহঁতে প্ৰবল বিক্রমৰে শত্রুক প্ৰতিৰোধ কৰিলে।

যুদ্ধ চলি থাকিল, আৰু ঠিক তেতিয়াই ভূমিকম্পৰ সৃষ্টি হ'ল। ৰাজপ্ৰাসাদৰ পিছফালে থকা পৰ্বতক ভূঁইকঁপে টুকুৰা-টুকুৰ কৰি ওফৰাই পেলালে আৰু এই খণ্ড-বিখণ্ড পৰ্বতৰ তলত পৰি ৰাজপ্ৰাসাদ চূৰ্ণ-বিচূৰ্ণ হ'ল, ৰজাৰ সৈন্য-সামন্তই প্ৰাণ হেৰুৱালে, লগতে ৰজাৰো মৃত্যু হ'ল। কিন্তু এই ভূমিকম্প শান্ত হোৱাৰ পাছত সোণেৰে সজা সেই যুৱতীৰ মূৰ্তি ক'তো কোনেও বিচাৰি নোপোৱা হ'ল।

তাৰ পাছত বহু বহু বছৰ পাৰ হ'ল। হঠাৎ এদিন এগৰাকী ৰহস্যময় সন্ন্যাসীৰ সন্ধান পোৱা গ'ল। তেওঁ হেনো পৰ্বতে পৰ্বতে ভ্ৰমি ফুৰে, কাৰো সৈতে মাত-বোল নকৰে। কিন্তু এই ৰহস্যময় সন্ন্যাসী হঠাৎ আৱিৰ্ভূত হোৱাৰ দৰে হঠাৎ এদিন নোহোৱা হ'ল। বহুতে বহু ধৰণে ভাবিলে। পিছে—এটা কথাত সকলোটি একমত হ'ল যে সন্ন্যাসীয়ে যদি পৰ্বতৰ সিপিঠি পাইছেগৈ, তেনেহ'লে তাৰপৰা আৰু জীয়ন্তে উভতি আহিব নোৱাৰে।

ইপিনে—ধূৰ্ত মন্ত্ৰীয়ে খাল কাটি লৈ অহা চুবুৰীয়া দেশৰ ৰজাই ছেগ বুজি এই দেশ অধিকাৰ কৰিলে। আৰু ভূমিকম্পত বিধ্বস্ত ৰাজপ্ৰাসাদৰপৰা বহু দূৰৈত আন এটা ৰাজপ্ৰাসাদ সজাই ল'লে।

তাৰ পাছতো বহু বহু বছৰ পাৰ হ'ল। ভূমিকম্পেৰে ধ্বংসপ্ৰাপ্ত সেই ৰাজ-প্ৰাসাদৰ ওপৰত অটব্য অৰণ্যৰ সৃষ্টি হ'ল। তাৰ ফলত, সেই ফাললৈ আৰু মানুহ-দুনুহ নোযোৱা হ'ল। আনকি দিনে-পোহৰেও সেই ঠাইলৈ কোনো নগৈছিল। মানুহৰ ধাৰণা, তাত বহু

ভূত-প্ৰেত যখিনী-সাঁকিনী আছে।

কিন্তু তথাপি বিনন্দ নামৰ যুৱক এজনে তাত নিৰ্ভীকভাৱে ঘূৰা-ফুৰা কৰিছিল। নিচেই সৰুতেই বিনন্দ মাতৃহীন হৈছিল। তাৰ একোলৈকে ভয়-ভীত নাছিল। এবাৰ সি হাবিত ঘূৰি ফুৰোঁতে বাঘৰ পেটলৈ যোৱা হৈছিলেই প্ৰায়। সি কথমপিহে ৰক্ষা পৰিছিল। সাপৰ খোটৰপৰা যে কিমানবোৰ সাৰিছিল তাৰ লেখ-জোখ নাই। আৰু তাৰ ফলত তাৰ সাহস হৈ উঠিছিল গগনচুম্বী।

এদিনৰ কথা। বেলিয়ে তেতিয়া লাহ দিছে। হঠাৎ পশু-পক্ষীবোৰ আৰ্তনাদ কৰি উঠিল। বতৰ অতিপাত গোমা হৈ পৰিল। মানুহবোৰে লৰা-ধপৰা লগালে। পথাৰ-সমাৰত কাম কৰাইত দৌৰি-ঘৰলৈ বুলি খোজ ল'লে।

আৰু অলপ পাছত আৰম্ভ হ'ল ভূঁইকঁপৰ ভয়ংকৰ জোকাৰণি।

প্ৰচণ্ড ভূমিকম্পই আগৰ ৰাজপ্ৰাসাদৰ ওপৰত থকা বিৰাট বিৰাট চটাচটে শিলবোৰ ওফৰাই নি নতুন ৰাজপ্ৰাসাদৰ ওপৰত পেলালে। আৰু চাওঁতে চাওঁতে নতুন ৰাজপ্ৰাসাদটোও মাটিৰ তলত প্ৰায় পোত খাই পৰিল।

নতুন দখলকাৰী মহাৰজাই কথমপি ভূমিকম্পৰ কবলৰপৰা ৰেহাই পালে। ভূমিকম্প শান্ত হোৱাৰ অন্তত তেওঁ ধ্বংস-প্ৰাপ্ত ৰাজপ্ৰাসাদৰ নিৰ্মাণকাৰী চৰ্দাৰহঁতক মতাই অনাই ক'লে, "এই প্ৰাসাদ যেনেকৈ মাটিৰ তলত পোত খাই পৰিল, এই প্ৰাসাদৰ নিৰ্মাণকাৰীহঁতকো তেনেকৈ মাটিৰ তলত পুতি পেলোৱা হ'ব।"

ক্ৰুদ্ধ ৰজাৰ ক্ৰূৰ ঘোষণা শুনি মহা-মন্ত্ৰীয়ে ক'লে, "মহাৰাজ! যিকোনো দেশৰ ৰজা এগৰাকী হ'ল সবাতোকৈ ডাঙৰ নিৰ্মাণকাৰী। তেওঁক এআষাৰত 'বিশ্বকৰ্মা' বুলিও অভিহিত কৰিব পাৰি, মহাৰাজ!"

প্ৰাসাদ নিৰ্মাণকাৰীহঁতৰ মাজত বিনন্দৰ



দেউত্তাকো আছিল এজন। এই ৰাজ-প্ৰাসাদৰ প্ৰধান নিৰ্মাণকাৰী দৰাচলতে তেৱেঁই। ৰজাৰ ঘোষণাৰ পাছত ৰাজ-প্ৰহৰীহঁতে বিনন্দৰ দেউতাক বিমোচনক ধৰি লৈ আহিল। ৰজাই তৎক্ষণাৎ আদেশ দিলে যে এই বৃদ্ধক কঠোৰতম দণ্ড দিয়া হ'ব। ৰজাই প্ৰহৰীহঁতক ক'লে, "এই বুঢ়াটোৰ মুণ্ড কাটি পেলোৱা।"

তাত গোট খাই থকাহঁতৰ মাজত এজনে কৈ উঠিল, "মহাৰাজ, ইমান প্ৰচণ্ড ধ্বংসকাৰী ঘটনাৰ শাস্তিৰূপে মুণ্ড কাটি দণ্ড দিয়াটোৱেই যথেষ্ট নহ'ব।"

"তেনেহ'লে—কেনেকুৱা দণ্ড দিব লাগিব?" ৰজাই সুধিলে।

"মহাৰাজ, এই বুঢ়াক হেজাৰ বছৰৰ বাবে কাৰাগাৰত ভৰাই থওক।"

মানুহজনৰ প্ৰস্তাৱত ৰজাই ভালেই পালে আৰু বিনন্দৰ দেউতাকক কাৰাগাৰত বন্দী কৰি ৰাখিবলৈ আদেশ জাৰী কৰিলে।

দেউতাক বন্দী হোৱাৰ পাছৰেপৰাই বিনন্দৰ মনৰ আনন্দ নোহোৱা হ'ল। বিনন্দই এই দণ্ডদান বিৰুদ্ধে ৰজাক কিবাকিবি ক'বগৈ বুলি সাব্যস্ত কৰাত বিনন্দৰ বন্ধুহঁতে তাক ক'লে, "চোৱাঁ, তুমি যদি ৰজাৰ কামৰ প্ৰতিবাদ কৰা, তেনেহ'লে তোমাকো ৰজাই কাৰাগাৰত ভৰাই থ'ব বা মৃত্যুদণ্ড দিব।"

এবছৰৰ অন্তত বিনন্দৰ দেউতাক কাৰাগাৰতে ঢুকাল। এই কথা শুনি ৰজাৰ আকৌ খং উঠিল। ৰজাই তেওঁৰ মন্ত্ৰীহঁতক ক'লে, "এয়ানো কেনে কথা হ'ল! যাক মই হেজাৰ বছৰলৈ বন্দী কৰি ৰখাৰ দণ্ড দিলোঁ, সি নশ নিৰনব্বৈ বছৰ ফাঁকি মাৰি সাৰিল! তাৰ পৰিয়াল-খনত আন কোনোবা-কুটুম্বি নাইনে?"

এজন প্ৰাজ্ঞ মন্ত্ৰীয়ে ৰজাক ক'লে, "মহাৰাজ, পিতৃ সম্পত্তি যদি পুত্ৰই ল'ব পাৰে, পিতৃৰ দণ্ড পুত্ৰই নল'ব কিয়?"

"চমৎ—কাৰ! বঢ়িয়া প্ৰস্তাৱ! মৃত

বুঢ়াৰ ল'ৰাটোক ধৰি কাৰাগাৰত ভৰাই থোৱা। আজি, আৰু এতিয়াই কামটো হ'ব লাগে।" ৰজাই সানন্দে ক'লে।

কিন্তু ৰজাৰ ঘোষণাৰ কথা শুনামাত্ৰেই বিনন্দ অটব্য অৰণ্যলৈ পলাই গ'ল।

*

বিনন্দই যেতিয়া নিমাওমাও অৰণ্যৰ কাষ পালেগৈ, তেতিয়া সাঁজ লাগি ভাগিছে। কিন্তু এইবোৰ অঞ্চল তাৰ সিমান অচিনাকি নহয়। গতিকে—সি অনায়াসে অৰণ্যৰ মাজেদি গৈ গৈ এঠাইত এচটা শিলৰ ওপৰত জিৰণি লোৱাৰ মনেৰে বহিল। তেতিয়া আছিল শুক্লপক্ষ। অৰণ্যত জোনৰ স্নিগ্ধ পোহৰ উপচি পৰিছিল। এই শিলচটাৰ ওপৰত বহি এই নিজম নিশা তাৰ মনত পৰিল তাৰ বৃদ্ধ অসহায় পিতৃৰ কথা। হঠাৎ বিনন্দই হুকহুকাই কান্দি দিলে। আৰু বহুতো-পৰলৈকে কন্দাৰ পাছত এসময়ত কি ক'ব নোৱৰাকৈ টোপনিৰ জালত ধৰা দিলে।

*

বহু সময়ৰ পাছত সি হঠাৎ সাৰ পালে। আৰু সাৰ পায়েই সি তাত এক বিশেষ ধৰণৰ পোহৰ দেখা পালে। এই পোহৰ যে জোনৰ পোহৰ নহয়, সেই কথা উপলব্ধি কৰাত তাৰ পলম নহ'ল। সি এই বিশেষ পোহৰৰ পম খেদি আগুৱাই গৈ থাকিল। গৈ গৈ বিনন্দ এটা গুহাৰ সমুখত ৰ'লগৈ। আৰু বিশেষ ভবা-গুণা নকৰাকৈয়েই গুহাৰ ভিতৰত সোমালগৈ। আৰু সোমায়েই—

গুহাৰ ভিতৰত—সোণৰ পদ্মৰ ওপৰত সোণৰ নাৰীমূৰ্তি দেখা পাই বিনন্দ বিস্ময়ত হতবাক হৈ পৰিল।

*

আৰু মুহূৰ্ততে বিজুলী সঞ্চাৰে তাৰ মনত পৰিল স্বৰ্ণ-উপত্যকাৰ অতীতকালৰ কথা। এনেহেন সোণৰ মূৰ্তিৰ কথাও সি শুনিছিল। আৰু ভূমিকম্পৰ ফলত

যে সেই সোণৰ মূৰ্তি নোহোৱা হৈছিল— সেই কথাটোও শুনিছিল সি।

এই অপূৰ্ব সোণৰ মূৰ্তিলৈ লক্ষ্য কৰি বিনন্দই সুঁৱৰিবলৈ চেষ্টা কৰিলে যে এই মূৰ্তি সি কেতিয়াবা আন ক'ৰবাত দেখিছিলনে কি। দেখা দেখা যেন লাগিলেও — ক'ত যে কেতিয়া দেখিছিল, একো মনত নপৰা হ'ল তাৰ। কিন্তু স্বৰ্ণ-উপত্যকাৰ সৈতে জড়িত সোণৰ মূৰ্তিৰ কথা তাৰ ভালকৈ মনত পৰিল।

এই মূৰ্তিৰ হাতৰ আঙুলিত এটা আঙঠি আছিল। বিনন্দই এই আঙঠিটো ছুই চাব বুলি মনত ভবাৰ লগে লগেই সেই আঙঠিটো তাৰ নিজৰ আঙুলিত দেখা পাই অবাক মুহূৰ্ত্তেতে সি মানিলে ।

বিনন্দ লাহে লাহে তন্দ্ৰাচ্ছন্ন হৈ পৰা যেন পালে, আৰু ঠিক তেতিয়াই এক অমোঘ দৈৱবাণী শুনিলে: "হে যুৱক মোৰ কথা মনপুতি শুনা। এই সোণৰ প্ৰতিমাত প্ৰাণ সঞ্চাৰ কৰাৰ ৰহস্য জানিবলৈ বিচাৰবানে তুমি?"

"বিচাৰোঁ।" বিনন্দই নিৰ্ভীকভাৱে এই প্ৰশ্নৰ উত্তৰ দিলে।

"তেনেহ'লে এই সোণৰ প্ৰতিমা আলফুলে দাঙি লৈ গুহাৰ আৰু ভিতৰলৈ সোমাই যোৱা। গুহাৰ মাজেদি বহু দূৰলৈকে যোৱাৰ অন্তত তুমি এগৰাকী দেৱতা বা দেৱীৰ দৰ্শনলাভ কৰিবা। সেই দেৱতা বা দেৱীৰপৰাই এই প্ৰতিমাত প্ৰাণসঞ্চাৰৰ ৰহস্য তথা উপায় জানিব পাৰিবা। এই প্ৰতিমাত প্ৰাণসঞ্চাৰ হোৱাৰ অন্তত এই প্ৰতিমাক বিবাহ কৰাবলৈ তুমি প্ৰাৰ্থনা কৰি থাকিবা। তুমি এই প্ৰতিমাৰপৰা তেওঁক বিবাহ কৰিব পৰা বৰ অৱশ্যেই খুজি ল'বা। হে যুৱক! এতিয়া তুমি যোৱাঁ, আগবাঢ়া ... ..আগবাঢ়ি গৈ থাকাঁ......চৰৈবেতি ......চৰৈবেতি......।" [অহা সংখ্যাত



স্বাৰ্থ-নিঃস্বাৰ্থ

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, কেতিয়াবা আনকি অসীম ক্ষমতাসম্পন্ন গন্ধৰ্বসকলো অতি সাধাৰণ বিষয়তো বিফল নোহোৱা নহয়। এই বিষয়ে মই তোমাক এক গন্ধৰ্বৰ কাহিনী ক'ম। এই কাহিনীয়েই মোৰ মন্তব্যৰ যথাৰ্থতা দাঙি ধৰিব। এই কাহিনীয়ে তোমাক যদি আনন্দ দান নকৰা হয়, তথাপি, তোমাৰ পথশ্ৰম নিশ্চয় কথঞ্চিত লাঘৱ কৰিব।" এই বুলি কৈ বেতালে পুনৰ ক'বলৈ ধৰিলে ঃ

চিত্ৰবৰ্ণ নামৰ গন্ধৰ্ব এজনে অন্যান্য

'বেতাল-কথা'

গন্ধৰ্বৰপৰা ভূলোকৰ সৌন্দৰ্য্যৰ কথা শুনি সেই সৌন্দৰ্য্য নিজ চকুৰে চাবলৈ ৰথত উঠি ভূলোকলৈ বুলি ৰাওনা হ'ল।

আকাশৰপৰা এডৰা ধুনীয়া ফুলনি দেখা পাই চিত্ৰবৰ্ণ তাত ৰথৰপৰা নামিল। ফুলনিডৰাৰ এমূৰত এঠাইত কেইগৰাকীমান যুৱতী বহি আছিল। এগৰাকী যুৱতী আছিল চালে চকু বৈ যোৱা বিধৰ। চিত্ৰবৰ্ণ সেই ধুনীয়াৰো ধুনীয়া যুৱতীক ক'লেগৈ, "হে সুন্দৰী, মই এজন গন্ধৰ্ব। মোৰ নাম চিত্ৰবৰ্ণ। আনকি গন্ধৰ্বলোকতো তোমাৰমান সুন্দৰী মই কাহানিও দেখা পোৱা নাই। তুমিনো কোন?" এই বুলি কৈ, চিত্ৰবৰ্ণ ই সুন্দৰীৰ হাতত ধৰিলে।

চিত্ৰবৰ্ণৰ প্ৰশ্নৰ উত্তৰত আন এজনীয়ে ক'লে, "এওঁ হ'ল শৰৎচন্দ্ৰিকা ৰাজ্যৰ ৰাজকুঁৱৰী। এওঁৰ নাম নালন্দাদেৱী।"

"ভাল। কিন্তু মই তোমালোকৰ ৰাজকুঁৱৰীক এতিয়া গন্ধৰ্বলোকলৈ লৈ যাম।" এই বুলি কৈ, চিত্ৰবৰ্ণ ই ৰাজকুঁৱৰী নালন্দাৰ হাতখনত ধৰি অলপ আঁজুৰিলে।

আৰু তৎমুহূৰ্তে ৰাজপ্ৰহৰীইঁত লৰৰি আহিল। ৰাজকুঁৱৰী চিঞৰি উঠিল। প্ৰহৰী এজনে খাপৰপৰা তৰোৱাল উলিয়ালে।

জনৎকৰে তৰোৱাল উলিউৱালৈ চাই, হাঁহি মাৰি চিত্ৰবৰ্ণই ক'লে, "মই যে কোন—সেই কথা তুমি নাজানা। নজনাৰ কাৰণেহে বিজুলীগতিৰে তৰোৱাল উলিয়াইছা। মই কোন—জানানে?"

"মই ৰাজকুঁৱৰীৰ দেহৰক্ষী। আপুনি যেৱেই নহওক, মই আপোনাক বন্দী কৰি মহাৰাজৰ ওচৰলৈ লৈ যাম।" ৰাজপ্ৰহৰীয়ে ক'লে।

প্ৰহৰীৰ কথা শুনি ক্ৰুদ্ধ হৈ চিত্ৰবৰ্ণ ই প্ৰহৰীক ক'লে, "হেৰ নৰাধম, তই মোৰ শক্তিৰ কথা নাজানিহে এনে দম্ভি মাৰিছ। মই অভিশাপ দিছোঁ—যিখন হাতেৰে তই তৰোৱাল দাঙিছিলি, তোৰ সেইখন হাত এই মুহূৰ্তত খহি পৰক।"

কিন্তু গন্ধৰ্ব চিত্ৰবৰ্ণৰ অভিশাপৰ ফলত প্ৰহৰীৰ হাত খহি নপৰিল। তেতিয়া প্ৰহৰীয়ে গন্ধৰ্ব চিত্ৰবৰ্ণৰ ডিঙিত ঘপিয়াবলৈ তৰোৱাল হাতত লৈ খেদি গ'ল আৰু ৰাজকুঁৱৰীৰ হাতখন এৰি দি চিত্ৰবৰ্ণ চকুৰ পচাৰতে অদৃশ্য হ'ল।

পাছত চিত্ৰবৰ্ণই ভাবি থাকিল: মোৰ অভিশাপ ব্যৰ্থ হ'ল কিয়? কিয় মোৰ অভিশাপৰ ফলত প্ৰহৰীৰ হাতখন খহি নপৰা হ'ল?

এই বিষম কথা ভাবি ভাবি চিত্ৰবৰ্ণ গৈ থাকিল। গৈ গৈ য'ত ৰ'ল, তাত চিত্ৰবৰ্ণৰ চাৰিওফালে অৰণ্য দেখা পাই অলপ অস্বস্তি বোধ হ'ল তেওঁৰ। তেতিয়া সাঁজ লাগি ভাগিছে। অৰণ্যৰ মূৰত সুউজ্জ্বল পোহৰ দেখা পাই চিত্ৰবৰ্ণই ভাবিলে: এনে গভীৰ নিজম-নিৰ্জন অৰণ্যত ক'ৰপৰানো পোহৰ ওলাইছে? পোহৰৰ পম খেদি গৈ গৈ পোহৰ ওলোৱা গুহাটোৰ দুৱাৰমুখত ৰ'লগৈ চিত্ৰবৰ্ণ। চিত্ৰবৰ্ণ গুহাৰ ভিতৰলৈ সোমাই গ'ল। চিত্ৰবৰ্ণই দেখা পালে যে গুহাৰ ভিতৰত থকা মণি এটাৰপৰা ইমান উজ্জ্বল পোহৰ ওলাইছে। এই মণিটোক গন্ধৰ্বলোকলৈ লৈ যাব বুলি ভাবি মণিটো তাৰপৰা লৈ যাবলৈ চেষ্টা কৰা মাত্ৰেই কোনোবাই কৈ উঠিল, "কোন?"

প্ৰশ্ন শুনি চিত্ৰবৰ্ণই ঘূৰি চালে আৰু এটা বিকট আকৃতিৰ ৰাক্ষসক দেখা পালে। চিত্ৰবৰ্ণই ৰাক্ষসটোক ক'লে, "গুহাত থকা এই মণিটো মই লৈ যাম।"

"আনৰ বস্তু নোকোৱাকৈ লোৱাৰ নাম চুৰি। তুমি এটা চোৰ। মই তোমাক শুদাই নেৰো, চোবাই খাম তোমাক।" এই বুলি কৈ ৰাক্ষসটো চিত্ৰবৰ্ণৰ পিনে আগুৱাই গৈ থাকিল।

গন্ধৰ্ব চিত্ৰবৰ্ণই অট্টহাহিৰে গুহা কঁপাই ক'লে, "হেৰ খাইকহ, মই যে অপৰিসীম ক্ষমতাৱান গন্ধৰ্ব, সেই কথা

নজনা বাবেহে তই ইমান দম্ফি মাৰিছ। মই মন কৰিলেই তোমাক মুহূৰ্ততে মাৰি পেলাব পাৰোঁ। ভালেৰে কৈছোঁ, মণিটো মোক দিয়া আৰু ক্ষমা প্ৰাৰ্থনা কৰাঁ।"

"হয়নে? বোলোঁ হয়নে ঔ? তোক মই এতিয়াই খাম, ৰঃ।" এই বুলি কৈ, ৰাক্ষসটোৱে চিত্ৰবৰ্ণক থাপ মাৰি ধৰিবলৈ আগুৱাই গৈ থাকিল।

আৰু চিত্ৰবৰ্ণই চকুৰ পচাৰতে তাৰপৰা আঁতৰি গৈ শূন্যত থিয় হৈ ৰাক্ষসটোক ক'লে, "তই জীয়া পুতলা এটা হ। তোৰ মাত-বোল কৰিবৰ ক্ষমতা থাকিব, পিছে—তই লৰচৰ কৰিব নোৱাৰিবি।" এই বুলি চিত্ৰবৰ্ণই অভিশাপ দিলে।

কিন্তু চিত্ৰবৰ্ণৰ এই অভিসম্পাতো সমূলি ব্যৰ্থ হ'ল। ৰাক্ষসটোৰ একো অনিষ্ট নহ'ল। তেতিয়া চিত্ৰবৰ্ণই ভাবিলে: মোৰ অভিশাপৰ ক্ষমতা ভূলোকত কাৰ্য্যকৰী নহ'ব।

গতিকে—ৰাক্ষসটোৰ বিৰুদ্ধে আৰু একো কৰাৰ চেষ্টা নকৰি চিত্ৰবৰ্ণ অৰণ্যৰ মাজেদি পুনৰ গৈ থাকিল। গৈ থাকোঁতে এগৰাকী বুঢ়া মানুহ চিত্ৰবৰ্ণৰ কাষ চাপিল আৰু চিত্ৰবৰ্ণক ক'লে, "বোপা, পিয়াহত মোৰ অণ্ঠ-কণ্ঠ শুকাই গৈছে। মোক অলপ খোৱাপানী দিয়া।"

কিন্তু চাৰিওফালে ভালকৈ নিৰীক্ষণ কৰিও চিত্ৰবৰ্ণই ক'তো পানীৰ চিন-



মোকামো বিচাৰি নোপোৱা হ'ল। পানী বিচাৰি ঘূৰি থাকোঁতে চিত্ৰবৰ্ণ ই এঠাইত তপস্যা কৰি থকা মুনি এগৰাকীক দেখা পাই ৰ'ল। মুনিৰ কাষতে আছিল এটা কমণ্ডলু। চিত্ৰবৰ্ণ ই হাতযোৰ কৰি মুনিক নিবেদন কৰিলে, "হে মুনিবৰ, অনতিদূৰতে এগৰাকী বৃদ্ধ বৰ তৃষ্ণাৰ্ত হৈ পৰিছে। আপোনাৰ এই কমণ্ডলুত থকা পানী অলপ বৃদ্ধক পান কৰিবলৈ দিওঁনে?"

মুনিয়ে চকু মেলি চিত্ৰবৰ্ণলৈ চাই ক্ৰুদ্ধ কণ্ঠেৰে ক'লে, "তোৰ স্পৰ্ধালৈ চাই মই তৰধেই মানিছোঁ। তই মোৰ তপস্যা ভংগ কৰিলি কিয়? তোক কঠোৰ দণ্ড দিম।" এই বুলি কৈ, মুনিয়ে চিত্ৰবৰ্ণৰ গালৈ কমণ্ডলুৰ পানী ছটিয়ালে। চিত্ৰবৰ্ণ ই বিনম্ৰভাৱে ক'লে, "মুনিবৰ, দয়া কৰি মোৰ কথা শুনক। এগৰাকী তৃষ্ণাৰ্ত বৃদ্ধৰ জলকষ্ট সহিব নোৱাৰিহে মই আপোনাৰ এই কমণ্ডলুৰ পানী অলপ খুজিছিলোঁ। আপোনাৰ তপস্যা ভংগ কৰাৰ ইচ্ছা মোৰ সমূলি নাছিল।"

তথাপি মুনিয়ে অভিশাপ দিলে, "তুমি এটা শক্তিহীন বোবা বাঘ হোৱা।"

কিন্তু মুনিৰ অভিশাপৰ ফলত চিত্ৰবৰ্ণৰ একো অনিষ্ট নহ'ল।

চিত্ৰবৰ্ণয়ো মুনিক তৎক্ষণাৎ অভিশাপ দিলে, "হে মুনি! তুমি এই মুহূৰ্ততে শিললৈ ৰূপান্তৰিত হোৱাঁ।"

আৰু মুহূৰ্ততে মুনিৰ দেহ এচটা শিল হৈ গ'ল!

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্রমাদিত্যক সুধিলে, "হে ৰজা, অসীম ক্ষমতাবান গন্ধৰ্ব চিত্ৰবৰ্ণই অভিশাপ দিয়াত ৰাজপ্ৰহৰীৰ একো অনিষ্ট নহ'ল। ৰাক্ষসটোৰ ওপৰতো চিত্ৰবৰ্ণৰ অভিশাপৰ একো প্ৰতিক্ৰিয়া নহ'ল। অথচ—এই একেইজন গন্ধৰ্ব চিত্ৰবৰ্ণৰ অভিশাপৰ ফলত মুনি এগৰাকী শিল হৈ গ'ল। তেনেহ'লে—কথানো কি? ৰাজপ্ৰহৰী আৰু ৰাক্ষসৰ ক্ষমতা চিত্ৰবৰ্ণতকৈ অধিক আছিলনে? মোৰ এই প্ৰশ্নৰ সদুত্তৰ জানিও নিদিলে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্রমাদিত্যই ক'লে, "গন্ধৰ্ব চিত্ৰবৰ্ণৰ ক্ষমতা যে অপৰিসীম আছিল, সেই কথাত সন্দেহ নাই। কিন্তু চিত্ৰবৰ্ণই তেওঁৰ সেই ক্ষমতা অতি তুচ্ছ ব্যক্তিগত কাৰণত ব্যৱহাৰ কৰিব খোজাত সফল নহ'ল। ৰাজপ্ৰহৰীয়ে তাৰ কৰ্তব্যকৰ্ম কৰিছিল। ৰাক্ষসটোৱেও চিত্ৰবৰ্ণক মণি লৈ যাবলৈ হাক দিয়াত কোনো অন্যায় নাছিল: বৰঞ্চ ৰাক্ষসটোৱেও অতি ন্যায়কাৰ্য হে কৰিছিল। গতিকে, ন্যায় কাৰ্য্যৰ বিৰুদ্ধে অভিশাপ ফলৱতী নহ'ল। নিজস্বাৰ্থত অভিশাপৰ ক্ষমতা ব্যৱহাৰ কৰিছিল। কিন্তু তৃতীয়বাৰত চিত্ৰবৰ্ণই ব্যক্তিগত স্বাৰ্থত নহয়, এগৰাকী তৃষ্ণাৰ্ত বৃদ্ধৰ স্বাৰ্থত মুনিক অভিশাপ দিছিল। আৰু লগে লগে সেই অভিশাপ সফল হৈছিল। অভিশাপৰ বা যিকোনো প্ৰকৃত ক্ষমতা ব্যক্তিগত স্বাৰ্থত ব্যৱহাৰ কৰিব নালাগে—চিত্ৰবৰ্ণই তাৰ বিফলতাৰ মাজেদি এই শিক্ষা পোৱা হৈছিল।"

বিক্রমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত





ন-তে ন-অঁৰা

কোশলদেশৰ ৰজাৰ নাম আছিল শৈলেন্দ্ৰবৰ্মা। ৰজা শৈলেন্দ্ৰবৰ্মাৰ ৰাজসভাৰ ভাৰৰীয়াৰ নাম আছিল শকটক।

এদিন ভাৰৰীয়া শকটকৰ ওপৰত ৰজা ক্ৰুদ্ধ হ'ল। তেওঁ ক্ৰুদ্ধ কণ্ঠেৰে শকটকক ক'লে, "শকটক, মই আৰু তোমাৰ মুখ-দৰ্শন কৰিবলৈ নিবিচাৰোঁ।"

শকটকৰ দুৰ্ভাগ্যৰ সিমানতে অন্ত নপৰিল। সেই দিনাই বিদৰ্ভদেশৰপৰা অহা দামোদৰ নামৰ ভাৰৰীয়াই ৰজা শৈলেন্দ্ৰবৰ্মাৰ মন জয় কৰি পেলালে আৰু ৰজাই শকটকৰ ঠাইত দামোদৰক লোৱাৰ যো-জা কৰি থাকিল।

এই বিষয়ত ৰজা শৈলেন্দ্ৰই তেওঁৰ মহামন্ত্ৰী মংগলশৰ্মাৰ সৈতে আলোচনা কৰাত মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ, শকটকৰ কথা শুনি আপোনাৰ খং উঠে; কিন্তু পাছ মুহূৰ্ততে হাঁহেও। কিবা এটা ভুলৰ কাৰণে শকটকক এনেদৰে শাস্তি দিয়াটো একেবাৰে শালত দিয়া যেন হ'ব—সেইটো শাপন্ত কথা, মহাৰাজ!"

মহামন্ত্ৰীয়ে শকটকক তাৰ আগন্তুক বিপদ সম্পৰ্কে বুজাই ক'লে।

পাছদিনা, মহাৰজা আৰু মহামন্ত্ৰীয়ে কিবা এটা বিষয়ত আলোচনা কৰি থাকোঁতে ক'লা কাপোৰেৰে ওৰণি লৈ ভাৰৰীয়া শকটকে ৰজাক ক'লেহি, "মহা-ৰাজ, আপুনি মোৰ মুখদৰ্শন নকৰিব বুলি কোৱাত ওৰণি লৈ আহিছোঁ, পিছে—মোক আপুনি মাত-বোল কৰিবলৈ মানা কৰা নাই বুলিহে মাত-বোল কৰাৰ দাঁত এতিয়াও আছে। মহাৰাজৰ বোলে মোৰ

নৰোত্তম নাথ

নামত ন-নাড়ী উভাৰ দি অহা হৈছে। মই মৰ ঢেং দিছোঁ মহাৰাজ, এইবাৰলৈ মোক খেমা কৰক। কথাতে বোলে—ন-তে ন-অঁৰা, পুৰণিতে ছ-অঁৰা।"

ওৰণি লোৱা শকটকক দেখা পোৱামাত্ৰেই মহাৰাজৰ পেটে পেটে হাঁহি উঠিছিল। তথাপি তেওঁ হাঁহি ৰখাই শকটকক ক'লে, "যদি তোমাৰ পদত তুমি টিকি থাকিব খুজিছাই, তেনেহ'লে—বিদৰ্ভদেশৰ ভাৰবীয়া দামোদৰ যে সকলো ফালৰেপৰাই শ্ৰেষ্ঠ—কালিলৈ ৰাজসভাত এই কথা ক'বা। মই দামোদৰক ইতিমধ্যেই কামত লোৱাৰ ইংগিত দিছিলোঁ। এতেকে—তুমি দামোদৰক পৰিপূৰ্ণ ৰাজসভাত প্ৰচুৰ প্ৰশংসা কৰিবা। দামোদৰ আকাশৰ দৰে উদাৰ, সাগৰৰ দৰে গভীৰ—এনেবোৰ কথা ক'বা। এইবোৰ কাম কৰিলেহে টিকি থাকিব পাৰিবা।

"যথা আজ্ঞা, মহাৰাজ!" এই বুলি কৈ, প্ৰণাম কৰি, শকটক গুচি গ'ল।

পাছদিনা পৰিপূৰ্ণ ৰাজসভাত শকটকে দামোদৰৰ প্ৰচুৰ প্ৰশংসা কৰাৰ অন্তত ক'লে যে—তাৰ ঠাইত যদি কেতিয়াবা কাৰোবাক লোৱাৰ ইচ্ছা হয় মহাৰাজৰ মনত, তেনেহ'লে দামোদৰেই হ'ব সকলো ফালৰেপৰাই শ্ৰেষ্ঠ। শকটকে ক'লে, "এই দামোদৰতকৈ উচ্চশ্ৰেণীৰ ভাৰবীয়া জগতত আন কোনো নাই।"

কিয় যে শকটকে এইবোৰ কথা ক'লে, ৰাজসভাৰ কোনেও বুজি নাপালে। কিন্তু ৰজাই হাত-চাপৰিৰে শকটকৰ শাকখোৱা কথাবোৰক শলাগিলে আৰু গম্ভীৰভাৱে ক'লে, "দামোদৰ হওক ভাল শকটক চিৰকাল।"

তাৰ পাছত ৰজা শৈলেন্দ্ৰই ইমান দিন ধৰি ৰজাৰ ভোজ মৰ-খাৰনে খাই দামা যেন হোৱা দামোদৰক বিদায় কৰিলে আৰু শকটকলৈ মূল্যৱান উপহাৰ আগবঢ়ালে।



আমাৰ দেশৰ বিচিত্ৰ কথা

মাণ্ডু

১৬১৮ খ্ৰিষ্টাব্দত জাহাংগীৰে লিখিছিল : 'সেউজীয়া গছে-বনে ভৰপূৰ মাণ্ডু পাহাৰ আৰু তাৰ আশ্চৰ্য্যসুন্দৰ উপত্যকাৰ কথা ভাষাৰে বৰ্ণাব নোৱাৰি'। মধ্য-প্ৰদেশৰ এই বিতোপন অঞ্চলত ১৩ শতিকাত পাৰমাৰ ৰজাসকলে এটি দুৰ্গ নিৰ্মাণ কৰিছিল। সেই দুৰ্গৰ নাম আছিল মণ্ডপ দুৰ্গ। 'মাণ্ডু' এই মণ্ডপৰপৰা উদ্ভূত নাম।



কৃষক এজনে তাৰ কোৰেৰে মাটি খান্দিবলৈ ধৰোঁতে মাটিৰ তলত এচটা পাথৰত ঠেকা খোৱাত সেই কোৰখন সোণলৈ ৰূপান্তৰিত হৈছিল। কিন্তু সেই কৃষকে এনে বিস্ময়কৰ ঘটনাৰ বুজ নৌলওঁতেই এজন কমাৰে সেই পাথৰ-চটা কৃষকজনৰপৰা কিনি লৈ গ'ল।

এই পাথৰচটাৰ মহিমাৰে কমাৰে দ'মে দ'মে লোহাক সোণলৈ ৰূপান্তৰিত কৰি বিৰাট ধনী হৈ পৰিল। পাছত এই কমাৰে পাথৰচটাক জয়সিংহ দেৱৰাজক দিছিল। এই পাথৰৰ যহতেহে মাও-ছুৰ্গ নিৰ্মিত হৈছিল বুলি কোৱা হয়।

পাছত ৰজা বাজবাহাদুৰে পাথৰচটাৰ গুণতে প্ৰাপ্ত অপৰিমিত সোণ নৰ্মদা নৈৰ পাৰত থকা প্ৰজাবৰ্গৰ মাজত বিলাই দিছিল বুলি কথিত আছে। সদৌশেষত পুৰোহিতক সোণ দিয়াৰ আগতে ৰজাই পুৰোহিতৰ হাত পাথৰচটা দিয়াত পুৰোহিতে ক্ৰুদ্ধ হৈ সেই পাথৰচটা নৈৰ পানীলৈ দলিয়াই পেলালে।

এই ঘটনাৰ পাছৰপৰা সেই পাথৰচটা নৰ্মদা নৈৰ পানীত আছে। আনকি ৰজাই সজা মাণ্ডু দুৰ্গও নৈৰ গৰ্ভতে বিলীন হ'ল। তেতিয়া ৰজাই কিছুখিনি ধ্বংসাৱশেষ উদ্ধাৰ কৰিছিল। সেই সুন্দৰী যুৱতী ৰূপমতীক ৰজা বাজ বাহাদুৰে ভাল পাইছিল। বাজবাহাদুৰ-ৰূপমতী আছিল সংগীতৰ অনুৰাগী।

ৰজাই ৰূপমতীক বিবাহ কৰাব বুলি কোৱাত ৰূপমতীয়ে কৈছিল, "হে ৰজা, মই নিজক নৰ্মদা-কন্যা বুলি ভাবোঁ। এই নদীমাতৃকাক এৰি মই ক'লৈকো নাযাওঁ। ৰূপমতীৰ এই কথা শুনি নৰ্মদা নৈক কেনেকৈ পাহাৰৰ ওপৰলৈ লৈ যাব পাৰি, ৰজাই ভাবি থাকিল।

এনিশা নৰ্মদা নদীয়ে ৰজাক সপোনত দেখা দি ক'লে, "পাহাৰৰ ওপৰত এজোপা তেতেলী আছে। মই তাতে দৰ্শন দান কৰিম।" ৰজাই তেতেলী-জোপাৰ তলত মাটি খান্দি থাকিল আৰু তাত পানীৰ নিজৰা ওলাল। এই ঘটনাৰ সাক্ষী স্বৰূপে ৰিওৱাকুণ্ড নামৰ এটি নাদ এতিয়ালৈকো তাত বিদ্যমান।



আকবৰে মালব্যদেশ আক্ৰমণ কৰোঁতে ৰজা বাজবাহাদুৰ সংগীতমগ্ন হৈ আছিল। তাৰ ফলত তেওঁ আকবৰৰ সৈন্যক ভেটিব নোৱাৰা হ'ল। ৰূপমতীয়ে আত্মাহুতি দিলে। পিছে—ৰাণী ৰূপমতীৰ সেই প্ৰাসাদ এতিয়ালৈকো বিদ্যমান।

মহাকালৰ সাক্ষী হিচাপে 'জাহাজ মহল' নামৰ প্ৰাসাদ আজিও থিয় হৈ আছে। অতীতৰ সভ্যতা-সংস্কৃতিৰ ধাৰক-বাহক ৰূপে এই আশ্চৰ্য্য প্ৰাসাদ বিখ্যাত।





ৰজা বাজ বাহাদুৰৰ জীৱনৰ শেষ কালছোৱা আকবৰৰ ওচৰত পাৰ হৈছিল। তেওঁৰ সংগীত-প্ৰতিভাৰ পৰিচয় পোৱাৰ পাছত আকবৰে তেওঁক নিজৰ ওচৰত সসম্মানে স্থান দিছিল। বাজবাহাদুৰে তেওঁৰ মাণ্ডু দুৰ্গ আৰু ৰাণী ৰূপমতীৰ কথা কদাপি পাহিৰিব পৰা নাছিল।

জাদু-জখলা

মহীপাল আছিল মলয়গিৰি দেশৰ ৰজা। এদিন পৰিপূৰ্ণ ৰাজসভাত জখলা এখন কান্ধত কঢ়িয়াই লৈ এজন বুঢ়া মানুহ সোমাই আহিল। বুঢ়া মানুহজনে ৰজাক ক'লে, "মহাৰাজ, মোক ৰক্ষা কৰক!"

ৰজাই সুধিলে, "তোমাৰ কি বিপদ হৈছে কোৱাঁ।"

ৰজাৰ প্ৰশ্নৰ উত্তৰত দোঁ খাই পৰা বুঢ়াই ক'লে, "মহাৰাজ, মই সমগ্ৰ জীৱন-কাল ধৰি শ্ৰম কৰি এই জাদু জখলাখন পালোঁ। এই জাদু-জখলাখন চুৰি কৰিবলৈ এটা চোৰে মোৰ পিছ লৈছে। এই চোৰটোৰ নাম গভংকৰ।"

বুঢ়া মানুহজনৰ বক্তব্য শুনাৰ অন্তত ৰজাই ৰাজপ্ৰাসাদৰ এচুকত বুঢ়াৰ থকা-মেলাৰ বাবে বন্দৰস্ত কৰি দিলে আৰু বুঢ়াৰ থকাঘৰৰ সমুখত দুজন প্ৰহৰীয়ে দিনে-নিশাই পৰ দিয়াৰো ব্যৱস্থা কৰিলে।

গতিকে—গভংকৰ যিমানেই গভাইত নহওক, ৰজাৰ প্ৰহৰীহঁতৰ চকুত বালি মাৰি বুঢ়াৰ জাদু-জখলা একোপধ্যে চুৰি কৰিব নোৱৰা হ'ল। কিন্তু গভংকৰ চোৰে ৰাজপ্ৰাসাদৰ অন্যান্য বস্তু চুৰি কৰি থাকিল। বহু চেষ্টা কৰিও প্ৰহৰীহঁতে গভংকৰক ধৰিব নোৱৰা হ'ল।

তেতিয়া স্বয়ং ৰজা মহীপালেই গভাইত গভংকৰক ধৰিবলৈ ওলাল। বিভিন্ন সূত্ৰত বাৰেমিহলি বাতৰি পাই, গভংকৰক ধৰিব ৰজা গ'ল পাহাৰৰ নামনিলৈ।

বহু দূৰৰপৰা ৰজাক দেখা পাই গভাইত গভংকৰ নিজেই ৰজাৰ কাষ

হৰেন বুঢ়াগোহাঞি

মহীপালৰ ভায়েক অনংগপালক কৈ আছিল, "মহাৰাজ অৰণ্যত আছে। সংসাৰৰ মায়া-মমতা এৰি তেওঁ আজিৰপৰা সন্ন্যাসী হ'ল। তেওঁ আপোনাক সিংহাসনত অধিষ্ঠিত হ'বলৈ নিৰ্দেশ দি মোক ইয়ালৈ পঠালে। তেৱেঁই যে মোক আপোনাৰ ওচৰলৈ পঠিয়াইছে, সেই কথাৰ প্ৰমাণ-স্বৰূপে তেওঁৰ অশ্বত মোক পঠালে।"

ৰজাৰ ঘোঁৰাটো দেখা পাই ভায়েক অনংগপাল সকলো ফালৰেপৰাই নিশ্চিন্ত হ'ল আৰু অভাৱিতভাৱে ৰজা হোৱাৰ আনন্দত তেওঁৰ ডিঙিত থকা মহামূল্যৱান হাৰ গভংকৰৰ ডিঙিত পিন্ধাই দিলে।

গভংকৰ চোৰে অনংগপালক ক'লে, "মহাৰাজ, আপোনাৰ ডিঙিৰ হাৰতকৈ মূল্যৱান বস্তু জগতত একোৱেই থাকিব নোৱাৰে। কিন্তু যদি বুঢ়াৰ সেই জখলাখন দিলেহেঁতেন—মই কিজানি অধিক ভাল পালোহেঁতেন।"

গভংকৰৰ এই কথাটো শুনামাত্ৰেই অনংগপালৰ মনত সন্দেহই উক দি উঠিল। তেওঁ গভংকৰক বন্দী কৰিবলৈ প্ৰহৰীহঁতক নিৰ্দেশ দিলে। কিন্তু উমানতে অনংগ-পালৰ মনৰ কথা ঠাৱৰ কৰি গভংকৰ ঘোঁৰা চেঁকুৰাই গুচি গ'ল।

গভংকৰে পুনৰ সেই অৰণ্য পালেগৈ।

চাপিলে আৰু গৰখীয়াৰ ভাও জুৰি ৰজা মহীপালক ক'লেহি, "মহাৰাজ, সৌৱা চাওক—এটা গুহা। সেই গুহাৰ ভিতৰত মণি-মুকুতা দ'মাই থোৱা হৈছে। মই গৰখীয়া, সেইবোৰত দৰ্কাৰ নাই। যদি আপোনাক মণি-মুকুতা লাগে, লৈ যাওক।"

ঘোঁৰাৰপৰা নামি ৰজা মহীপাল সেই গুহাত সোমালগৈ। আৰু লগে লগে এচটা প্ৰকাণ্ড শিলেৰে গুহাৰ দুৱাৰমুখত বন্ধ কৰি, ৰজাৰ ঘোঁৰাত উঠি, ভয়ংকৰ গভংকৰ উধাও হৈ গ'ল।

অলপ সময়ৰ পাছত গভংকৰক ৰাজ-প্ৰাসাদত দেখা গ'ল। গভংকৰে ৰজা

ঘোঁৰাপৰা জঁাপ মাৰি নামি আহি গুহাৰ দুৱাৰমুখৰ পাথৰচটা আঁতৰাই ৰজাক ক'লে, "মহাৰাজ, দেশৰ ৰাইজে আপোনাক আৰু আপোনাৰ সহোদৰ অনংগপাল-দেউক এই যুগৰ ৰাম-লক্ষ্মণ বুলি জানে আৰু মানে। কিন্তু মই যেতিয়া তেওঁক ক'লোঁ যে আপুনি বনলৈ আহি সন্ন্যাসী হৈছে, আৰু আপোনাৰ ককাইদেউৱাই আপোনাক ৰজা পাতিছে—তেতিয়া আনন্দৰ জোৱাৰত উটি তেওঁ মোৰ ডিঙিত এই মূল্যৱান হাৰ পিন্ধাই দিলে! গতিকে—তেওঁ লক্ষ্মণ নহয়, ৰাৱণহে!"

ৰজা মহীপালে বায়ুৰ গতিৰে ঘোঁৰা চেঁকুৰাই ৰাজধানী পালেগৈ। ক্রুদ্ধ-ক্ষুব্ধ ৰজাৰ সৈতে প্রথমেই সেই বুঢ়াৰ দেখা-দেখি হ'ল। বুঢ়াই ক'লে, "মহাৰাজ, মোৰ বেয়াদবি মাফ কৰিব। মোৰ কক্ষলৈ এখন্তেকৰ বাবে বাবে পদধূলি দিয়ে যদি, এটা আচৰিত ঘটনা চাব পাৰিব।"

ৰজা মহীপাল বুঢ়াৰ কোঠালৈ গ'ল আৰু বুঢ়াৰ কথামতে জাদু-জখলা বগাই উঠাৰ লগে লগে তেওঁৰ বালকালৰ এটা দৃশ্য দেখা পালে। তেওঁৰ মৃত্যুমুখী পিতাকে বালক মহীপালক আন এটি নিচেই সৰু বালকলৈ আঙুলিয়াই কৈছে, "বোপা মহীপাল, এই অনংগপালক তোমাৰ হাতত সঁপিলো। সি যদি কিবা ভুল কৰে, তাক ক্ষমা কৰিবা।" সিদিনা মহীপালে পিতৃক কথা দিছিল। এই দৃশ্য দেখাৰ পাছত জাদু-জখলাৰপৰা নামি আহি বুঢ়াক কৃতজ্ঞভাৱে সুধিলে, "তোমাৰ কাৰণেহে আজি মোৰ ভাইটি ৰক্ষা পৰিল। তোমাৰ উপস্থিতবুদ্ধি আৰু জাদু-জখলাইহে তাক ৰক্ষা কৰিলে। এতিয়া—তোমাক কি লাগে কোৱা।"

"মহাৰাজ, এই জাদু-জখলাৰ সহায়ত মই মানুহৰ মনৰপৰা শত্রুভীতি নোহোৱা কৰিবলৈ বিচাৰোঁ। এই জখলা গভংকৰে যাতে চুৰি কৰিব নোৱাৰে, তাৰ বাবে

ব্যৱস্থা ল'ব লাগে।" বুঢ়াই ৰজাক তাৰমানৰ কথা ক'লে।

কেইখন্তেকমান ভাবি লৈ ৰজাই বুঢ়াক ক'লে, "তেনেহ'লে—এই জাদু-জখলাৰ মহিমা হ'ল শত্রু আঁতৰ কৰা। নহয় জানো? তেনেহ'লেনো বুঢ়া—তোমাৰ ইমান ভয় কিহলৈ? তুমি এই মুহূৰ্ত্ততে এছ কোঠাৰপৰা ওলাই গুচি যোৱা।"

ৰজাই নাৰাখিলেনো থাকে কেনেকৈ? গতিকে বুঢ়াই তাৰ জাদু-জখলা পিঠিত কঢ়িয়াই লৈ ঘৰ এৰি ওলাল। আৰু এইদৰে উদ্দেশ্যহীনভাৱে গৈ থাকোঁতে হঠাৎ বাঘ ওলোৱাদিয়েই ভয়ংকৰ গভংকৰ তাৰ আগত ওলাল আৰু এই জাদু-জখলাখন বলেৰে কাঢ়ি লৈ বনলৈ পলাই গ'ল। কিন্তু বুঢ়ায়ো তাৰ পিছ খেদি গ'ল।

গভীৰ অৰণ্য পাই গভংকৰে জাদু-জখলাখন এজোপা গছৰ লগত লগাই জখলা বগাই ওপৰলৈ উঠি আকাশলৈ চাই পঠালে। তাত দুজন ৰাজপ্ৰহৰীয়ে গভংকৰক এই কথা কোৱা গভংকৰে শুনিলে: "হেই গভাইত গভংকৰ, ৰজাই কিন্তু তোক ফাঁচীৰ দণ্ড বিহিছে।" এই বুলি কৈ, গভংকৰৰ ডিঙিত এডাল জৰী বান্ধি, তাক গছজোপাৰ ডালত ওলোমাই, প্ৰহৰীহঁত গুচি গ'ল।

কিন্তু লগে লগে বুঢ়াই গভংকৰৰ ডিঙিৰ জৰী কাটি তাক মাটি শোৱালে। অলপ সময়ৰ পাছত গভংকৰে চকু মেলি চালে। গভংকৰে জখলাবুঢ়াৰ ভৰিত উবুৰি খাই পৰি ক'লে, "ককা, মোক বচোৱা। তুমি সঠিক সময়ত নহাহেঁতেন মই মৰিলোঁৱেইহেঁতেন।"

তেতিয়া বুঢ়াই বিজ্ঞ ৰজা মহীপালৰ দূৰদৃষ্টিৰ কথা উপলব্ধি কৰিব পৰা হ'ল। বুঢ়াই এই কথাটো ফটফটীয়াকৈ বুজি পালে যে—এই জাদু-জখলাৰ মহিমাইহে গভাইত গভংকৰক পৰিৱৰ্তিত কৰিলে।

কৃষ্ণাৱতাৰ

৩

কালিন্দী নৈৰ তীৰত আছিল গৰখীয়াহঁতৰ গাঁও। এই গাঁওখন বিভিন্ন কাৰণত আছিল সমৃদ্ধ। বসুদেৱৰ অনুৰোধত এবাৰ নোৱাৰি সপৰিয়ালে নন্দ গুৱালো এইখন গাঁৱলৈ আহিল।

*

গাঁৱৰ বয়োবৃদ্ধসকলে নন্দক আদৰি ল'লে, নন্দৰ পৰিয়ালৰ প্ৰতিজনক আলিংগন কৰিল। নন্দৰ লগ লাগি অহা গোপিনীহঁতে যশোদাৰ শলাগ ল'লে আৰু ৰোহিণীও তালৈ আহি যথাযোগ্য মৰ্য্যাদাৰে সকলোটিলৈ অভিনন্দন জ্ঞাপন কৰিলে। ৰোহিণীক তাত দেখা পাই নন্দ অতি আনন্দিত হ'ল, আৰু কৃতজ্ঞ চিত্তেৰে ৰোহিণীলৈ আদৰণি জনালে।

গোপিনীসকলে শিশু কৃষ্ণক অতিকৈ' মৰমৰে অতি সাৱধানতাৰে আৰু অত্যন্ত আলহ-উদহকৈ লালন-পালন কৰি থাকিল।

*

ইতিমধ্যেই কংসই অসংখ্য নৱজাত শিশুক বধ কৰাৰ বাবে ভালেমান ৰাক্ষসক আহ্বান কৰি আনিলে। এইবোৰ ৰাক্ষস-ৰাক্ষসীহঁতৰ মাজত পূতনা নামৰ ৰাক্ষসীজনী আছিল অতি ভয়ংকৰী। পূতনা ৰাক্ষসীয়ে ৰাতিৰ এন্ধাৰত এই নতুনকৈ জনম লোৱা শিশুহঁতক বিচাৰি ফুৰিছিল।

'বালককৃষ্ণৰ লীলা'

কৃষ্ণক কোলাত দাঙি লৈ তাইৰ বুকুৰ পিয়াহ খুৱাবলৈ যো-জা কৰি থাকিল। তাইৰ বুকুৰ পিয়াহতে আছিল তীব্ৰ বিষ। পূতনাই জোৰ কৰি শিশুকৃষ্ণক তাইৰ বুকুৰ পিয়াহ খুৱালে, আৰু শিশুকৃষ্ণয়ো পূতনাৰ পিয়াহ খোৱাৰ লগে লগে তাইৰ দেহৰ শক্তিখিনি সমূলঞ্চে শুহি ল'লে। পূতনা ৰাক্ষসী আৰ্তনাদ কৰি উঠিল, আৰু ভয়ংকৰ আটাহ পাৰি তললৈ বাগৰি পৰিল।

*

পূতনা ৰাক্ষসীৰ ভয়ংকৰ আৰ্তনাদ শুনি সেই ঠাইৰ সকলো সাৰ পাই গ'ল। সাৰ পায়েই যশোদাও আৰ্তনাদ কৰি উঠিল, তেওঁৰ কাষত শুই থকা শিশু কৃষ্ণ তাত নাই! যশোদাৰ আৰ্তনাদৰ ফলত সকলোটিয়েই কৃষ্ণক বিচাৰিবলৈ ধৰিলে; কিন্তু পাছ মুহূৰ্ততে শিশুকৃষ্ণক ৰাক্ষসী পূতনাৰ বুকুত লিপিট খাই থকা দেখা পাই সকলোটিয়েই তৰধ মানিলে।

যশোদাই কৃষ্ণক পূতনাৰ বুকুৰপৰা আঁজুৰি আনি বুকুত সুমুৱাই ল'লে।

ক্ৰুদ্ধ নন্দই তেওঁৰ পত্নী যশোদাক সুধিলে, "কথানো কি? এই ৰাক্ষসী ইয়ালৈ সোমালহিনো কেনেকৈ? তোমাৰ কাষৰপৰা কৃষ্ণক লৈ গ'ল আৰু তুমি গমেই নাপালানে?"

এনিশা মাতৃৰ কাষত শিশু কৃষ্ণক শুই থকা দেখি পূতনা থমকি থিয় হ'ল। কৃষ্ণৰ দেহৰপৰা অত্যুজ্জল পোহৰ ওলাই থকা দেখি পূতনা ৰাক্ষসীয়ে ভাবিলেঃ ই অন্যান্য শিশুতকৈ বেলেগ ধৰণৰ। কংসক বধ কৰিবলৈ ইয়েই জনম লৈছে চাগে'।

*

কথাটো ভবাৰ লগে লগেই পূতনাৰ ভবৰি উঠিল! তাই দাঁত-মুখ কৰচি শিশুকৃষ্ণলৈ চালে। তাইৰ দুচকুৰেদি জুই-আঙনি ওলাবলৈ ধৰিলে। তাইৰ মুখৰপৰা লালটি বৈ আহিবলৈ। তাই ঘনাই উশাহ লৈ থাকিল। হঠাৎ পূতনাই

হতভম্ব যশোদাই গিৰিয়েকক ক'লে, "ৰাক্ষসীটো কেনেকৈ যে ইয়াত সোমালহি মইনো কওঁ কেনেকৈ'? কিয় যে ল'ৰাটোক লৈ গ'ল—তাকো বুজি নোপোৱা হৈছোঁ। যি কি নহওক, মোৰ ল'ৰাটো যেতিয়া ৰাক্ষসীৰ কবলৰপৰাও ৰক্ষা পৰিছে, তেতিয়া সি কমেও হাজাৰ বছৰ জীয়াই থাকিব।

*

কৃষ্ণ যে এক অভাৱিত তথা সুনিশ্চিত বিপদৰপৰা ৰক্ষা পৰিছে, সেই কথা শুনি গোটেই গৰখীয়া-সমাজখনে আনন্দ প্ৰকাশ কৰিলে। গৰখীয়াহঁত মৃত পূতনা ৰাক্ষসীকবহু দূৰলৈ চোঁচৰাই নি গেৰেকনিত পেলাই দিলে। নন্দই কৃষ্ণক কোলাত লৈ, মন্ত্ৰ মাতি, শিশুকৃষ্ণৰ যাৱতীয় অপায়-অমংগল দূৰ কৰাৰ চেষ্টা কৰিলে।

*

এইদৰে, নানান বিপদ-বিঘিনিৰ মাজেদি, কৃষ্ণই দিনে দিনে ডাঙৰ-দীঘল হ'বলৈ ধৰিলে। এদিন বসুদেৱে তেওঁৰ পুৰোহিত গৰ্গক আন কেৰে নজনাকৈ মতাই পঠালে। গৰ্গ আহিল। তাৰ পাছত এক শুভ মুহূৰ্তত পুৰোহিত গৰ্গই ৰোহিণীৰ পুত্ৰ আৰু কৃষ্ণৰ নামকৰণ কৰি, যেনেকৈ গুপুতে আহিছিল, তেনেকৈ কাউৰী এটায়ো গম নোপোৱাকৈ গুচি গ'ল।

নন্দ অতি আনন্দিত। তেওঁ ভালেমান ব্ৰাহ্মণক নিমন্ত্ৰণ কৰি ভোজন কৰালে,



ব্ৰাহ্মণসকলক গাভী আৰু বস্ত্ৰদান কৰিলে। গোকুলত থকা তেওঁৰ মিত্ৰ-কুটুম্বসকলক নৱবস্ত্ৰ দান কৰিলে। তেওঁ গো-পূজাও কৰিলে। এই উৎসৱত অংশ গ্ৰহণকাৰী সকলে কৃষ্ণক হিয়াভৰা আশীৰ্বাদ কৰিলে, আৰু কামনা কৰিলে কৃষ্ণৰ দীৰ্ঘজীৱন।

*

আৰু ইপিনে পূতনাৰ দুৰাৱস্থাৰ কাহিনীয়ে ডেউকা মেলি মথুৰা পালেগৈ। পূতনাৰ মৃত্যুৰ বিবৰণ শুনি কৃষ্ণৰ ওপৰত কংসই চোভা কৰা হ'ল। কংসই তেতিয়া ৰাক্ষসহঁতক ককৰ্থনা কৰিবলৈ ধৰিলে। এইবোৰ ৰাক্ষসৰ মাজত শকট নামৰ এটা দুৰ্দান্ত ৰাক্ষস আছিল। কংসৰ আদেশক্ৰমে ৰাক্ষস শকট নন্দৰ শকটত [গাড়িত] অদৃশ্য অৱস্থাত বহি আছিল।

*

যশোদাই কৃষ্ণক নিচুকাই টোপনিয়াই আন গোপিনীহঁতক কৃষ্ণক পৰ দিবলৈ টানি কৈ স্নান সমাপনৰ বাবে নৈলৈ গ'ল। যশোদা নৈলৈ গুচি যোৱাৰ অলপ পাছতেই কৃষ্ণয়ো সাৰ পাই গ'ল। মাতৃক দেখা দেখা নাপাই কৃষ্ণই কান্দিবলৈ ধৰিলে। কৃষ্ণই তেওঁৰ ভৰি এখনেৰে গাড়ীখন স্পৰ্শ কৰিলে, আৰু লগে লগে সেই গাড়িখন টুকুৰা-টুকুৰ হৈ পৰিল।

*

স্নান সমাপনান্তে যশোদা তালৈ পুনৰ উভতি আহিল; কিন্তু কৃষ্ণৰ চিন-মোকামো তাত দেখা নাপাই বিভ্ৰান্ত হৈ পৰিল। শকটখন [গাড়িখন] টুকুৰা-টুকুৰ অৱস্থাত দেখা পাই যশোদাই হুৰাওৰাৰে কান্দি উঠিল। কিন্তু ঠিক তেতিয়াই কৃষ্ণক কাষতে দেখা পাই কোলাত দাঙি ল'লে। কৃষ্ণৰ গায়ে-মূৰে হাত ফুৰাই মৰম কৰি যশোদাই ক'লে, "তই টোপনিয়াই থকা বাবেহে মই স্নান কৰিবলৈ গৈছিলোঁ। এতিয়া তেওঁ — তোৰ দেউতাৰ যদি ওলায়হি, মই যে কি ক'ম একো ভাবি


Sankar

নোপোৱা হৈছোঁ। টুকৰা-টুকুৰ হোৱা গাড়িখন দেখা পালেই তোৰ দেউতাৰে মোকেই গালি পাৰিব।” কৃষ্ণক পিয়াহ খাবলৈ দি যশোদাই এইবোৰ কৈ থাকিল।

*

আৰু চাওঁতে চাওঁতে নন্দ তাত ওলালহি। টুকুৰা হৈ থকা গাড়িখনলৈ ৰ' লাগি চাই থাকিল নন্দই। এই গাড়িখনৰ তলত বহি তেওঁৰ শিশুপুত্ৰই খেল-ধেমালি কৰে। গাড়িখন টুকুৰা হ'ল—কৃষ্ণৰ বা কি হ'ল?

কিন্তু কৃষ্ণক যশোদাৰ কোলাত বহি থকা দেখি নন্দ নিশ্চিন্ত হ'ল। নন্দই যশোদাক সুধিলে, “গাড়িখন টুকুৰা হ'ল—পিছে ল'ৰাটো দেখিছোঁ ভালেই আছে। গাড়িখন টুকুৰা হ'লনো কেনেকৈ?”

যশোদাই ক'লে, “সঁচা কথা ক'বলৈ—দোষ মোৰেই। টোপনিৰপৰা সাৰ পাই মোক দেখা নাপাই হাত-ভৰি আফালি কান্দি থাকোঁতে গাড়িখনত তাৰ ভৰি লাগি গাড়িখন এইদৰে ভাগিল।”

*

তাত কেইজনমান গৰখীয়া ল'ৰা থিয় হৈ আছিল। সিহঁতে কৈ উঠিল, “ওঁ তো, কৃষ্ণই ভৰিৰে গুৰিয়াই গাড়িখন ভাঙি পেলালে তো! এয়া কিন্তু এক আচৰিত কথা। নহয়নে বাৰু?”

গৰখীয়া ল'ৰাহঁতৰ মুখে কৃষ্ণৰ কথা শুনি যশোদাই বৰ ভাল পালে। যশোদাই কৃষ্ণৰ মংগল কামনা কৰি বহুতো দেৱ-দেৱীলৈ প্ৰাৰ্থনা জনালে।

তাৰ পাছত নন্দই আৰু তেওঁৰ বন্ধু-বান্ধৱে মিলি গাড়িখন পুনৰ যোৰা লগাই দিলে। গাড়িখন পুনৰ আগৰদৰে হ'ল।

*

এইদৰে দিন, মাহ, বছৰ উকলিল। কৃষ্ণ দিনে দিনে ডাঙৰ হৈ থাকিল। কৃষ্ণ সকলোটিৰ আদৰৰ পাত্ৰ, তাক সকলোটিয়েই আন্তৰিকভাৱে ভাল পায়।



শিশু কৃষ্ণই লুকাভাকু খেলিবলৈ বৰ ভাল পাইছিল। কিন্তু কৃষ্ণক হাতত ঢুকি পায়ো কোনেও ধৰিব নোৱাৰিছিল। কৃষ্ণ লাহে লাহে বৰ দুষ্ট হৈ উঠিল। কৃষ্ণই গোপিনীসৰৰ চুলিত ধৰি টনা-আঁজোৰা কৰিছিল, পিন্ধনৰ কাপোৰৰ আঁচলত ধৰি টানিছিল, উদণ্ডালি কৰিছিল।

*

লৱনু খাই কৃষ্ণই নাচিছিল। বহুতেই বালককৃষ্ণৰ নয়াভিৰাম নৃত্য চাবলৈ কৃষ্ণক লৱনু খাবলৈ দিছিল। কৃষ্ণই কাৰোবাক নৃত্য প্ৰদৰ্শন কৰি আনন্দ দিছিল, কাৰোবাক হতাশো কৰিছিল।

*

অসংখ্য গোপিনীয়ে কৃষ্ণ আৰু বলৰামৰ সৈতে ঘূৰি ফুৰিছিল। কৃষ্ণই য'তে ত'তে এৰাঁ গাখীৰ আৰু লৱনু চুৰি কৰি খাইছিল। ক্ষীৰসাগৰ মন্থন কৰোঁতে যি অমৃত ওলাইছিল, আৰু ক্ষীৰ সাগৰৰপৰা ওলোৱা অমৃত মোহিনীয়ে যেনেকৈ দেৱতাসকলৰ মাজত ভগাই দিছিল, সেইদৰে কৃষ্ণয়ো তাৰ চুৰ কৰা লৱনু লগৰীয়াহঁতৰ মাজত ভগাই দিবলৈ ধৰিলে। কিন্তু কৃষ্ণক কোনোবাই ধৰিবলৈ গ'লেই নোহোৱা হৈছিল আৰু এনেকৈ নিমিষতে নোহোৱা হোৱাত সকলোটিয়ে সদায় বিমল-নিৰ্মল আনন্দ পোৱা হৈছিল।

কৃষ্ণই মহিলাসকলৰপৰা লৱনু খুজিছিল। মহিলাসকলেও শিশুকৃষ্ণক ৰংমনেই লৱনু দিছিল। কিন্তু যিসকল গুৱালনীয়ে কৃষ্ণক লৱনু নিদিছিল, তেওঁলোকৰ গাখীৰ মন্থন কৰাৰ ৰছীডাল কৃষ্ণই নেৰা হৈছিল আৰু তাৰ ফলত তেওঁলোকৰ কাম-বন নষ্ট হৈছিল। তেতিয়া বিৰক্ত হৈ তেওঁলোকেও কৃষ্ণক বাধ্যত পৰি লৱনু দিছিল। এই অত্যাচাৰৰ বাহিৰেও কৃষ্ণই গুৱালনীসৰৰ ওপৰত অন্যান্য অত্যাচাৰো নকৰাকৈ নাছিল, যেনে— গুৱালনীসৰৰ চুলিত ধৰি টনা-আঁজোৰা

কৰা, ঠেলা মাৰি বগৰাই দিয়া ইত্যাদি।

কোনোবাজনীয়ে কৃষ্ণক কৈছিল: 'আগতে নাচা, তেহে লৰনু দিম'। তেতিয়া কৃষ্ণই নাচিছিল। আকৌ—কেতিয়াবা লৰনুৰ পাত্ৰ লৈ দৌৰি পলাইছিল। কেতিয়াবা কেতিয়াবা লৰনু দিয়াত অনিচ্ছুকহঁতৰ গাখীৰ ঢালি পেলাইছিল। কৃষ্ণই ঘিঁউ চুৰিও নকৰাকৈ নাছিল। তদুপৰি—লৰনুত এৰাঁ গাখীৰ ঢালি দিয়া, গাখীৰত লৰনু পেলাই দিয়া আদিৰ দৰে অত্যাচাৰো কৰিছিল কৃষ্ণই। এনেবোৰ দুষ্টালি প্ৰায় সদা-সৰ্বক্ষণ কৰাত কিছুমানে কৃষ্ণৰ ওপৰত বৰ বিতুষ্ট হৈছিল।

*

পঘা উঘালি পেলাই গাই-দামুৰিক এৰি দিয়াটো আছিল শিশুকৃষ্ণৰ আন এবিধৰ উন্নুগুলি। কৃষ্ণৰ পিছে পিছে তাৰ সমনীয়াহঁতো সদায় ঘূৰি ফুৰিছিল। খেল-ধেমালিত কৃষ্ণই সদায় আছিল তাৰ সমনীয়াহঁতততকৈ আগবঢ়া। তাৰ সমনীয়াহঁতৰ পিঠিৰ ওপৰত উঠি ঘোঁৰা-খেল খেলিছিল। সমনীয়াহঁতে কৃষ্ণৰপৰা মাখন খোৱাৰ দৰে পিটনো খাইছিল ঢেৰ। সমনীয়াহঁতক পিটন দি কৃষ্ণই আমোদ অনুভৱ কৰিছিল। পিটনৰ ভয়ত লগৰীয়া সমনীয়াহঁতে কৃষ্ণই কোৱা মতে চলিছিল। কিন্তু ইমান অত্যাচাৰ সত্বেও, কিবা এক অজান অভাৱিত আকৰ্ষণৰ ফলত, কোনেও এই শিশুকৃষ্ণক কদাপি এৰি নগৈছিল।

*

এইদৰে, কৃষ্ণ তাৰ শিশুকালৰেপৰাই গোকুলত আলোড়নৰ সৃষ্টি কৰিব পাৰিছিল। গৰখীয়া ল'ৰাহঁতে কৃষ্ণৰ নাম শুনি ভালো পাইছিল, ভয়ো খাইছিল। গোকুলৰ ঘৰে ঘৰে তেতিয়া কৃষ্ণনাম। কৃষ্ণৰ নানান কাণ্ড-কাৰ্যনাৰ কথাত গোকুল তেতিয়া মুখৰ, যি মুখৰতা আছিল কেতিয়াবা দুখৰ,কেতিয়াবা সুখৰ।



অভিনৱ দৰব

এইগৰাকী আছিল মজাৰ ৰজা। তেওঁ হাঁহি-মাতি ৰং-ৰহচ কৰি দিনবোৰ ৰাতিবোৰ কটাইছিল। ৰাজ্য আক্ৰমণৰ ভয় নকৰিছিল। শত্ৰুও নাছিল। মন্ত্ৰীসকল যোগ্যৱান। মন্ত্ৰীবৰ্গয়েই দৰাচলতে শাসন-কাৰ্য্য চলাইছিল। ৰজাই পুৱা পলমকৈ সাৰ পাইছিল, তাৰ পাছত কিছুসময়লৈ হামিয়াইছিল, তাৰ পাছত গা ধুইছিল, আৰু তাৰ পাছত বিধোবিধ খোৱাবস্তু খাইছিল। দুপৰীয়াৰ সাজ খোৱা-বোৱাৰ অন্তত পুনৰ টোপনি মাৰিছিল।

এইদৰে দিন মাহ বছৰ চলি আছিল। তাৰ ফলত, ৰজা এফালে হৈ উঠিছিল ধোদৰ পচলা, আনফালে নাওপেটা। আৰু তেওঁৰ ওজন ইমান হৈছিল যে এবাৰ কেনেবাকৈ বহি দিলে উঠি থিয় হোৱা টানেই হৈছিল। বহি বহিয়েই ৰজাই গান শুনিছিল, ভাওনা চাইছিল, নাচ উপভোগ কৰিছিল।

কিন্তু হাজাৰ হওক ৰজা। গতিকে একেবাৰে মূৰ্খ তো নাছিল। এতেকে— নিজৰ অৱস্থাৰ কথা ভাবি তেওঁ নিজেই মাজে মধ্যে ভয় নেখোৱাকৈ নাছিল। লাহে লাহে তেওঁ যে লৰচৰ কৰিব নোৱৰা হৈ পৰিছে। ৰজাই ভাবিছিল ঃ আহ্! মই ইমান মেদেলাটো নহৈ অলপ খোজ কাঢ়িব পাৰাহেঁতেন!

ভাবি-গুণি গুণি-ভাবি—ৰজাই তেওঁৰ মন্ত্ৰীহঁতক আদেশ কৰিলে যে যেনেতেনে তেওঁৰ দেহাৰ ওজন কমাব লাগিব, জোখ-মাখো; নহ'লে মন্ত্ৰীত্বৰ মুদা মৰিব।

আৰু কেইজনমান মন্ত্ৰী ভাবি ভাবি

‘পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী’



টপামূৰীয়া হ'ল ; তথাপি উপায় নোলাল আৰু অৱশেষত তেওঁলোকে বৈদ্যইঁতক মতাই অনাই এই বিষয়ে পৰামৰ্শ প্ৰাৰ্থনা কৰিলে। একো একোজন বৈদ্যেই একো একোবিধৰ দৰব ৰজাক দি থাকিল। ৰজাই দৰব-পাতি ঠিকেঠাকে খাইছিল ঃ কিন্তু খাৱন-লৱন আগৰদৰেই চলাই গৈছিল। এতেকে দৰৱে গুণ নিদিয়া হ'ল। আৰু এদিন বৈদ্যসকলে কৈয়েই পেলালে, যে—তেওঁলোকে ৰজাৰ দেহাৰ ওজন একোপধ্যে কমাব নোৱাৰিব।

তেতিয়া তিনি দিন-তিনি নিশা একেৰাহে ভবা-গুণা গুণা-ভবা কৰি—ৰজাই এই ঘোষণা কৰিলে যে—যিজনে ৰজাৰ দেহৰ ওজন কমাব পাৰিব তেওঁক এই ৰাজত্বৰ অৰ্ধাংশ দিয়া হ'ব।

আজে-বাজে মানুহৰ সোঁতত ভেটা দিবলৈ মন্ত্ৰীবৰ্গই ৰজাৰ ঘোষণা অলপমান সাল-সলনি কৰি প্ৰচাৰ কৰিলে। তেওঁলোকে প্ৰচাৰ কৰিলে যে—ৰজাৰ দেহৰ ওজন হ্ৰাস কৰিব পৰাজনে যে ৰাজ্যৰ তথা ৰাজত্বৰ অৰ্ধাংশ পাব সেই কথা ঠিক ; কিন্তু ৰজাৰ ওজন হ্ৰাস কৰিব নোৱাৰাইঁতক প্ৰাণদণ্ডেৰে দণ্ডিত কৰা হ'ব। তাৰ ফল হ'ল এয়ে যে—ৰজাৰ দেহৰ ওজন হ্ৰাস কৰিবলৈ কোনো এজনো আগবাঢ়ি নাহিল।

কিছুদিনৰ অন্তত ৰজা যেতিয়া একেবাৰে হতাশ হৈ পাটী লওঁ লওঁ হ'ল। তেতিয়া হঠাৎ এদিন যোগানন্দ গোসাঁই নামৰ এজন মানুহ আহিল ৰজাৰ ওজন কমাবলৈ। গোসাঁয়ে ক'লে। "চাওক, মহাৰাজৰ সোঁৱৰণী চোৱাৰ পাছতহে মই দৰব দিম। মোৰ চিকিৎসা পদ্ধতি আন চিকিৎসকসকলতকৈ অলপ বেলেগ। অনুগ্ৰহ কৰি মহাৰাজৰ সোঁৱৰণী মোক দিয়ক।"

ৰজাৰ সোঁৱংৰণী গোসাঁইক দিয়া হ'ল। বহু সময় ধৰি সোঁৱৰণীসন পঢ়াৰ অন্তত গোসাঁয়ে মন্ত্ৰীবৰ্গক ক'লে, "মহাৰাজক

দৰবপাতি দি আৰু লাভ নাই। কিয়নো আৰু মাত্ৰ ত্ৰিছ দিনলৈহে তেওঁৰ আয়ুস।"

"এঁ! কিন্তু মহাৰাজৰ সোঁৱৰণী চাই আন কোনেও তো এনে কথা কোৱা নাই!" মন্ত্ৰী এগৰাকীয়ে ক'লে।

"মোৰ কথা আখৰে আখৰে সঁচা হ'ব। যদি মোৰ কথা বিশ্বাস হোৱা নাই—মোক ত্ৰিছ দিনৰ বাবে কাৰাগাৰত ভৰাই থওক।" গোসাঁয়ে ক'লে।

মন্ত্ৰীবৰ্গই গোসাঁইৰ ইচ্ছা পূৰণ কৰিলে, কাৰাগাৰত ভৰাই থ'লে।

কিন্তু মন্ত্ৰীবৰ্গই ভাবিলে : এই মানুহজন নিশ্চয় এজন সোঁৱৰণীবিশাৰদ। নহ'লে—নিজেই নিজক ৰাজ-কাৰাগাৰত বন্দী কৰাৰ প্ৰস্তাৱ দিব পাৰেনে?

ইপিনে—আৰু মাত্ৰ ত্ৰিছ দিন আয়ুসৰ কথা শুনি ৰজাৰ মজা সমূলঞ্চে উৰি গ'ল। তেওঁ দিনে-নিশাই মৰিশালিৰ দৃশ্য, চিতাজুইৰ দৃশ্য দেখি থাকিল. ৰাতি উজাগৰে কটোৱা হ'ল. দিনতো নাচ-গান আমোদ-প্ৰমোদ আনকি—খোৱা-বোৱাও প্ৰায় নোহোৱা হৈ আহিল।

মন্ত্ৰীবৰ্গই মহাৰাজক সাহস যোগাবলৈ চেষ্টা দিলে; কিন্তু তাৰে একো ফল নহ'ল। ক্ৰমাত ৰজাৰ অৱস্থা কাহিল হৈ পৰিল। খোৱা-লোৱা প্ৰায় বন্ধ কৰি ৰজাই পাটী ল'লে। আনকি মাত-বোলো নকৰা হ'ল তেওঁ। ক্ৰমে ৰজা হাড়ে-ছালে লগা যেন



হৈ পৰিল। ত্ৰিছটা দিন—ৰজাৰ মানত ত্ৰিশটা বছৰ যেন লাগিল।……

আৰু একত্ৰিছ দিনৰ দিনা ৰজা পালেঙৰপৰা জঁাপ মাৰি নামি আহিল। ৰজাই মন্ত্ৰীহঁতক ক'লেগৈ, "সেই বদমাছৰ বদমাছ গোসাঁইটো ক'ত আছে? তাক লৈ আহঁা, আৰু ৰজাৰ আগত মিছা কথা কোৱাৰ অপৰাধত তাক মাৰি ভৈয়াম কৰঁা, তাৰ পিঠিত ৰাইডাং ফালঁা।"

গোসাঁইক ৰজাৰ আগত লৈ অহা হ'ল। ৰজাই বাঘৰ দৰে তালৈ চাই ক'লে, "হেৰা বদমাছ! মোৰ সৌৰৱী চাই মিছা কথা কৈছিলা কিয়? কোৱাঁ। কোৱাঁ আৰু এতিয়া কেনেকুৱা শাস্তি মোৰপৰা আশা কৰিছো—তাকো কোৱাঁ।"

"শাস্তি!" গোসাঁয়ে হাঁহি হাঁহি ক'লে, "মহাৰাজ! মই আপোনাৰপৰা মোৰ প্ৰাপ্য পুৰস্কাৰহে আশা কৰিছোঁ।"

"পুৰস্কাৰ!" অবাক মানি ৰজাই ক'লে, "তোমাৰ বাৰু কাণ্ডজ্ঞান বোলা একোৱেই নাইনে?"

"মহাৰাজ! মোৰ কাণ্ডজ্ঞান অলপ হ'লেও নিশ্চয় আছে। মই আপোনাৰ চিকিৎসা কৰিবলৈহে আহিছিলোঁ, আপোনাৰ সৌৰৱী চাবলৈ অহা নাছিলোঁ। এতিয়া আপুনিয়েই চাওক আৰু কওক—মৃত্যুভীতিয়ে আপোনাৰ দেহৰ ওজন হ্ৰাস কৰা নাইনে? আপুনি দেখোন এতিয়া খোজ কাঢ়িব পাৰিছে, আনকি দৌৰিবও পৰা হৈছে। —মই আপোনাৰ চিকিৎসা কৰা নাইনে মহাৰাজ?" গোসাঁয়ে ক'লে।

গোসাঁইৰ কথা আছিল সঁচেকাটে সঁচা। গতিকে—ৰজাই কথাটো দ'কৈ ভাবি, গোসাঁইৰ কথাৰ প্ৰতিবাদ নকৰি ঘোষণা কৰিলে, "মহামন্ত্ৰী, গোসাঁইক তেওঁৰ অপূৰ্ব চিকিৎসাৰ বাবে মোৰ ৰাজত্বৰ অৰ্ধাংশ এতিয়াই অৰ্পণ কৰা হওক।"



সপোনৰ ধন

তুৰ্কীস্থানত এজন দুখীৰো দুখী মানুহ আছিল। দাৰিদ্ৰ্যই তাক একেবাৰে দুৰ্বল কৰি পেলাইছিল। তাৰ দৃষ্টিও হৈ পৰিছিল অতি ক্ষীণ। কিন্তু তাৰ মনত ধনী মানুহ হোৱাৰ আশা আছিল অতি প্ৰবল। সি ধনিক লোকসকলৰ দৰে আও-ভাও দিবলৈহে ভাল পাইছিল।

এদিন চাহৰ দোকানত চাহ খাই থাকোঁতে সি ভাবিলে: মই ধনিকহঁতৰ দৰে গা ধুব পৰাহেঁতেন!

তাৰ পাছত সি গ'ল এটা গা-ধোৱা ঘৰলৈ। কাপোৰ-কানি সোলোকাই থৈ সি যেতিয়া গা ধুই আছিল, তেতিয়া তাৰ নিচেই কাষত তাৰ দৰেই আন এজন মানুহেও গাধুই থকা যেন পালে। সেই মানুহজনক গা-ধোৱা ঘৰৰ ৰখীয়াই ইটো-সিটোৰ যোগান দি আছিল। গা ধুই থাকোঁতেই এইজন মানুহে কেতিয়াবা চৰ্বত, আকৌ কেতিয়াবা আন কিবা ধৰণৰ পানীয় খাই আছিল আৰু তাক এইবোৰৰ যোগান দিবলৈ কেইজনমান লগুৱাই সদায় সন্থম হৈ থিয় দি আছিল।

তাৰ পাছত—এছেগত—যেতিয়া তাত আন কোনো নাছিল, তেতিয়া এই দুখীৰো দুখী ৰহিমে এই ধনী মানুহজনক পানীৰ ভিতৰত হেঁচি ধৰিলে আৰু পানীৰ তলত ডুবাই দিলে।

দুখীয়া ৰহিমে সেই ধনী মানুহজনৰ সাজ-পাৰ পিন্ধি, দিনাৰৰ [মুদ্ৰা] টোপোলা হাতত লৈ গা-ধোৱা ঘৰৰপৰা ওলাল। ঘৰৰ ৰখীয়া আৰু পৰীয়াবিলাকক ৰহিমে এটাকৈ দিনাৰ দিলে। সিহঁতে ভাল পাই

ৰহিমক দীঘলীয়া চালাম দিলে।

গা-ধোৱা ঘৰৰ বাহিৰত ধনী মানুহজনৰ ঘোঁৰা এটা আছিল। ধনী মানুহৰূপী দুখীয়া ৰহিমক ঘোঁৰাৰ পিঠিত উঠাই দিবলৈ তাত লগুৱাবোৰ ৰৈ আছিল। ৰহিমে ভাবি থাকিল ঃ মই যদি এতিয়া ঘোঁৰাৰ পিঠিত নবহোঁ, তেনেহ'লে—কথা বিষম হ'ব পাৰে। ইহঁতে মোক সন্দেহ কৰিব। —গতিকে, অনিচ্ছাসত্বেও সি ঘোঁৰাৰ পিঠিত উঠি বহিল।

ঘোঁৰাটো লাহে-ধীৰে গৈ থাকিল। গৈ গৈ এটা বিৰাট অতি ধুনীয়া অট্টালিকাৰ আগত ঘোঁৰাটো ৰ'লগৈ। আৰু লগে লগে অট্টালিকাৰ ভিতৰৰপৰা কেইজনমান মানুহ ওলাই আহিল আৰু ৰহিমকে ধনী মানুহ ভাবি তাক সুধিলে, "হুজুৰ, আপুনি এতিয়া আপোনাৰ কক্ষলৈ যাবনে হাৰেমলৈ [অন্তেষপুৰলৈ] যাব ?"

ৰহিম ক'লে, "মই মোৰ কক্ষলৈ যাম।"

অলপ পাছত এই লগুৱাহঁতে তাক সুধিলেহি, "হুজুৰ, আপুনি ইয়াতে খানা খাবনে হাৰেমত খানা খাব ?"

ৰহিমে ক'লে, "ইয়াতে খাম।"

খোৱা-বোৱাৰ অন্তত আন কেইজন-মানে ৰহিমক সুধিলেহি, "হুজুৰ, এতিয়া আপুনি ইয়াতে জিৰণি ল'বনে হাৰেমলৈ গৈ জিৰণি ল'ব ?"

"যাম, হাৰেমলৈ যাম, এতিয়াই

যাম।” ৰহিমে ক’লে।

লগুৱাবোৰ তৎক্ষণাৎ তাৰপৰা গুচি গ’ল। ৰহিমে নাজামে হাৰেম [অন্তেষপুৰ] কোন পিনে। সি ভাল্লেমানপৰলৈ দুৱাৰৰ পিছত দুৱাৰ খুলি খুলি অৱশেষত হাৰেম বিচাৰি পোৱা হ’ল। সি হাৰেমলৈ গ’ল।

তাত যিজনী অপূৰ্ব সুন্দৰী বৈ আছিল, তেওঁ ৰহিমক ক’লে, “সিদিনা মোৰ যিজন বন্ধু আহিছিল, ইকথা-সিকথাৰ অন্তত তেওঁ তোমাৰ নামটো সুধিছিল। একীন কৰাঁ [বিশ্বাস কৰা], মই মোৰ সেইজন বন্ধুক ঠিকমতে জৱাব দিব পৰা নাছিলোঁ। তোমাৰ নামটো যে কি—সঠিককৈ ক’ব নোৱাৰাত তেওঁৰ আগত হাঁহিয়াতৰ পাত্ৰী হৈ পৰিছিলোঁ। তোমাৰ নামটো কিন্তু এতিয়ালৈকো মোৰ মনত পৰা নাই। তোমাৰ নামটো কি কোৱাচোন বাৰু?”

প্ৰশ্ন শুনি নাম নহয়, পিঠিত ঢকুৱা বন্ধাৰ কথাহে ৰহিমৰ মনত পৰিল। সি আকাশ-পাতাল ভাবি থাকিল।

অলপ পাছত ৰহিমে সুন্দৰীক ক’লে, “তুমি—ইমান দিন ধৰি মোৰে সৈতে ঘৰ কৰিছা—মোৰ নামটোকো নাজানা!”

তথাপি সুন্দৰীয়ে নেৰে, নামটো ক’বই লাগিব। তেতিয়া ৰহিমে ক’লে, “মোৰ নাম—এটানে কিবা? মোৰ অনেক নাম।” এই বুলি কৈ ৰহিমে এটাৰ পিছত আনটোকৈ নাম আওৰাই থাকিল।

কিন্তু তাৰ পাছত হঠাৎ ৰহিমৰ যে কি হ'ল কোনে ক'ব—সি তাৰ সকলো কথা সুন্দৰীক কৈয়েই পেলালে আৰু তাৰ কামৰ বাবে মাফিও মাঙিলে।

অবাক হৈ পৰা সুন্দৰীয়ে ক'লে, "মই বাৰু মাফ কৰিলোঁৱেই যেনিবা, তেওঁ যদি হঠাৎ আহি ওলায়হি—কি হ'ব? মোৰ তেওঁ তো ছুলতানৰ খাছ মানুহ। তেওঁক যদি ছুলতানে মতাই পঠিয়ায়—তেতিয়া কি হ'ব? আৰু—"

আৰু কথা নৌশেষ হওঁতেই ছুলতানৰ অনুচৰ এজন আহিল।

দুখীয়া ৰহিমে সুন্দৰীক্ কন্দনমুৱা হৈ সুধিলে, "এতিয়া মই কি কৰোঁ?"

সুন্দৰীয়ে ক'লে, "শুনা, ছুলতানৰ আগত দুখন আসন থাকিব। এখন আসনত থাকিব মুকুতাৰ মালা, আনখনত থাকিব সোণৰ মালা। তুমি মুকুতাৰ মালাধাৰ ডিঙিত পিন্ধি সোণৰ মালা হাতত লৈ ছুলতানক এই বুলি সম্বোধন কৰিবা—'দোস্ত শ্বাহানশ্বাহ'! আৰু লগে লগে এটা গল্পৰ বকলা মেলিবা।"

ছুলতানৰ অনুচৰে দুখীয়া ৰহিমক ছুলতানৰ প্ৰাসাদলৈ লৈ গ'ল আৰু সুন্দৰীৰ কথা আখৰে আখৰে মনত পেলাই আটাইবোৰ কাম কৰাৰ অন্তত ৰহিমে ছুলতানক ক'লে, "দোস্ত শ্বাহানশ্বাহ!"

আৰু পাছ মুহূৰ্ততে দুখীয়া ৰহিমে টোপনিৰপৰা সাৰ পাই গ'ল। অলপ পাছত ৰহিমে বুজি পালে যে সি এতিয়াও চাহৰ দোকানতে বহি আছে; আৰু সি বহি বহি টোপনিৰহীয়া হৈ পৰিছিল আৰু সপোনহে দেখিছিল। সি তাৰ ছিঙা-ফটা পোছাক-পাতি দেখি বৰ ভাল পালে। সি যেনিবা নচঁচা শূলত যোৱাৰপৰা কথমপি সাৰিলেহে! ৰহিমে আল্লাহ-তাল্লাহলৈ শুকৰিয়া [ধন্যবাদ] কৰি চাহৰ দোকানৰপৰা ৰংমনে ওলাই পৰিল।

পতান

হালোৱা কেশৱক গাঁৱৰ ৰাইজে আঁৰত কিৰ্পিণ কেশৱ বুলি কৈছিল। কেশৱৰ মাটি বাৰী, খেতি-বাতি, আৰু লগতে দোকান এখনো আছিল। এদিন কেশৱে তাৰ ঘৈণীয়েকক দোকানত থৈ নিজে গ'ল ভঁৰালত ধান ভৰাবলৈ। এনেবোৰ দিনত মগনিয়াৰইঁতক সকলো হালোৱায়েই এমুঠিকৈ ধান দিয়ে। নিদিলে সমাজেও অন্যায় কাম বুলি ভাবে। এই দিনটোত মগনিয়াৰইঁতক কোনেও 'নিদিওঁ' বুলি নকয়। কিন্তু —অন্যান্যৰ দৰে আঁজলি ভৰাই মগনিয়াৰ-ইঁতক ধান দিয়াটো কিৰ্পিণ কেশৱৰ মনঃপূত নহ'ল। কিছুমান মগনিয়াৰে কেশৱৰ কিৰ্পিণালিৰ কথা আগৰেপৰাই জানিছিল, সিহঁত কেশৱৰ কাষ নচপা হ'ল। কিয়নো, কেশৱৰ হাতৰ মুঠিৰপৰা যে পানীও নসৰকে, সিহঁতে জানেই।

এনে অৱস্থাত কেশৱে কেইটামান ল'ৰাক হাত-বাউল দি মাতিলে আৰু সিহঁতক ধান দিলে। কিন্তু এই ধানত ধানতকৈ পতানহে আছিল অধিক। কিৰ্পিণ কেশৱে ধান দান কৰালৈ আঁতৰৰপৰা এজন মানুহে লক্ষ্য কৰি আছিল। কেশৱে যে ভাল ধান দিয়া নাই, উমানতে সেই কথাৰ বুজ লৈ, সেই লৰাকেইটাক মাতি আনি, মানুহজনে কিবা যেন কৈ দিলে।

ভঁৰালত ধান ভৰাই থোৱাৰ অন্তত কেশৱ ঘৰলৈ ঘূৰিল আৰু লগে লগে তাৰ ঘৈণীয়েকে তাক ক'লে, "মই দোকানত বহি থাকোঁতে কেইটামান ল'ৰাই 'আধা দামত ধান ল'বানে কি' বুলি চিঞৰিছিল আৰু মযো সিহঁতৰপৰা সেই ধান আধা দামতে কিনি ল'লোঁ।"

কেশৱে খৰধৰকৈ তাৰ ঘৈনীয়েকে কিনি লোৱা ধানখিনি পৰীক্ষা কৰি চালে। এই ধানখিনিত ধান প্ৰায় নাছিলেই, আছিল কেৱল পতান। আৰু এই পতানখিনি ল'ৰামথাক সিয়েই দিছিল। এনেকৈ অভাৱিতভাৱে ঠগ খোৱাত ঘৈণীয়েকক ঘ'টা-জোকৰা দিয়াৰ মন গ'ল তাৰ, কিন্তু তেতিয়া তাৰ নিজৰ কথাও ওলাই পৰাৰ ভয়ত সি একো ক'ব নোৱাৰিলে।



দুখ আৰু সুখ

হালোৱা হ'লেও ৰংগৰাজৰ সুনাম আছিল অন্য কথাত। ৰংগৰাজে হেনো জটিল সমস্যাৰ সমাধান কৰিব পাৰিছিল, আৰু তাৰ বাস্তৱবুদ্ধি আছিল বাস্তৱিকেই শলাগিবলগীয়া।

এবাৰ ৰংগৰাজৰ গাঁৱৰে মানুহ এজন তাৰ কাষ চাপিল এটা বিৰাট সমস্যাৰ সমাধান বিচাৰি।—কথা কি ? মানুহজনে ৰংগৰাজক ক'লে, "চাওক, আমাৰ ঘৰটো বৰ সৰু। ল'ৰা-ছোৱালীহঁত ডাঙৰ হ'ল, ইমান সৰু ঘৰটোত সিহঁতক নটা হৈছে। ঘৰটোৰ পৰিসৰ—মানে ঠাই বৰ কম, অথচ ঘৰটোক যে অলপ পুতলে-বহলে বয়াম সেই টকাও মোৰ নাই।"

ৰংগৰাজে কেইখন্তেকমান ভাবি লৈ ক'লে, "গংগাপ্ৰসাদ, তোমাৰ ছাগলী, কুকুৰা—এইবোৰ আছে নিশ্চয় ?"

ৰংগৰাজে পুনৰ ক'লে, "এটা কাম কৰা। আজিৰপৰা তোমাৰ ঘৰৰ ভিতৰত ছাগলী এজনী আৰু লগতে পোৱালি বিলাককো বান্ধি থ'বা। চাৰিদিন ছাগলীজনী আৰু পোৱালিবিলাক তোমাৰ ঘৰতে থাকিব। পাঁচ দিনৰ দিনা তুমি পুনৰ মোক লগ কৰিবাহি।"

ৰংগৰাজে সঠিক সমাধান দিয়ে— এই বিশ্বাসতে গংগাপ্ৰসাদে ৰংগৰাজে কোৱা মতে কাম কৰিলে। কিন্তু তাৰ ফলত ঘৰৰ ঠাই আগতকৈ ঢেৰ কমিহে গ'ল। চাৰিটা দিন এই ছাগলীবোৰক ঘৰত ৰাখি গংগাপ্ৰসাদ আৰু ঘৰৰ আন সকলোটিও যেনিবা বলিয়াহে হৈ উঠিল। যি কি নহওক—পাঁচ দিনৰ দিনা গংগাপ্ৰসাদ

তনিমা তালুকদাৰ

পুনৰ ৰংগৰাজৰ কাষ চাপিল।

ৰংগৰাজে ক'লে, "গংগা, তোমাৰ ক'লাপৰা মুখখনেই কৈ দিছে যে ছাগলীবিলাকক ঘৰত থৈ কেনে পাইছা। যি কি নহওক—মোৰ পৰামৰ্শ হ'ল—তুমি সেই কেইজনী ছাগলীৰ লগত আন এজনী ছাগলী আৰু পোৱালিবিলাককো মাত্ৰ দুটা দিনৰ কাৰণে ঘৰত বান্ধি থোৱাগৈ। ঠিক তৃতীয়া দিনা পুনৰ মোৰ ওচৰত আহিবা।"

অনিচ্ছাসত্বেও ৰংগৰাজৰ কথামতে কাম কৰি তৃতীয় দিনা ঢলপুৱাতে গংগাপ্ৰসাদ ৰংগৰাজৰ ঘৰলৈ আহিল। গংগাপ্ৰসাদলৈ চাই ৰংগৰাজ চিন্তিত হৈ পৰিল। গংগাপ্ৰসাদ পিতৃ-মাতৃহীন হোৱা যেন লাগিল। গংগাপ্ৰসাদে ৰংগৰাজক ক'লে, "উস্! দুটা দিন নহয়—যেনিবা দুটা যুগহে পাৰ হ'ল। এইদৰে জাক জাক ছাগলীৰে সৈতে ঘৰত থাকিব নোৱাৰি।"

"ঠিক আছে, এইবাৰ আগৰ ছাগলীবিলাকক ঘৰৰপৰা উলিয়াই দিয়া। পিছৰবিলাক আৰু দুটামান দিন থাকক। পৰহি দিনা পুনৰ মোক লগ ধৰিবাহি।"

দুদিনৰ পাছত গংগাপ্ৰসাদ পুনৰ ৰংগৰাজৰ ওচৰলৈ আহিল। ৰংগৰাজে সুধিলে, "গংগা, এতিয়া ঘৰটো আগতকৈ অলপ আহল-বাহল যেন লগা নাইনে?"

"ঠিকেই। এতিয়া ঘৰত অলপ উশাহ ল'ব পৰা হৈছোঁ।" গংগাপ্ৰসাদে ক'লে।

"তেনেহ'লে এটা কাম কৰা। এতিয়া ঘৰৰ ভিতৰত থকা বাদবাকী ছাগলীবিলাককো ঘৰৰপৰা উলিয়াই দিয়া। তিনিদিনৰ অন্তত পুনৰ আহিবা।"

তিনিদিনৰ অন্তত তিনি টিলিকি মাৰি গংগাপ্ৰসাদ ৰংগৰাজৰ ওচৰলৈ ওলালহি। গংগাপ্ৰসাদৰ চকু-মুখত আনন্দৰ আভাস লক্ষ্য কৰি ৰংগৰাজে সুধিলে, "এতিয়া ঘৰটো আগতকৈ ভালেখিনি আহল-বহল যেন লগা নাইনে?"

"হেৰি, আপুনি মোৰ কিমান যে উপকাৰ কৰিলে কি ক'ম। ঘৰটো সঁচাকৈয়ে এতিয়া হঠাৎ যেন বেছ ডাঙৰ হৈ পৰিল। এতিয়া আমি আগৰদৰে টান পোৱা নাই, বা থেপাথেপিকৈ থকা যেনো লগা নাই।" গংগাপ্ৰসাদে ৰংগৰাজলৈ কৃতজ্ঞতা প্ৰকাশ কৰি বিদায় লৈ গুচি গ'ল।

ৰংগৰাজৰ ঘৰত কাম কৰা মৰণ নামৰ ল'ৰাটোৱে এইবোৰ কথা শুৰিৰেপৰাই শুনি আছিল। সি অবাক মানি তাৰ গৰাকী ৰংগৰাজক সুধিলে, "দেউতা, গংগাপৰসাদ বলিয়ানে কি? ঘৰটো দেখোন সিমানখিনিয়েই হৈ আছে। আহলে-বহলে বাঢ়ি গ'ল কেনেকৈ?"

কাম কৰা ল'ৰা মৰণৰ প্ৰশ্নৰ উত্তৰত ৰংগৰাজে ক'লে, "গংগাপ্ৰসাদ বলিয়া নহয়, পিছে—তাৰ সাধাৰণ জ্ঞানৰ অভাৱ আছে। ঘৰটো ডাঙৰ কৰাৰ আৰ্থিক ক্ষমতা তাৰ নাই, অথচ—ঘৰটোত সিহঁতে থেপাথেপিকৈ থকা যেন পাইছে। সেই দেখিহে মই ঘৰতে ছাগলীবিলাকক বান্ধি থ'বলৈ কৈছিলোঁ তাক। ছাগলীবোৰ ঘৰতে থকাৰ ফলত অৱশ্যে সিহঁতৰ অতিপাত কষ্ট হৈছিল। কিন্তু ছাগলীবিলাকক ঘৰৰপৰা উলিয়াই দিয়াৰ পাছত সেই একেটা ঘৰেই সিহঁতৰ মানত আহল-বহল হৈ পৰিল। দুখৰ অন্তত সুখ সাধাৰণ সুখতকৈ অধিক সুখকৰ।"

বিছা

বিছাক ইংৰাজিত ছেণ্টিপিড বুলি কোৱা হয়। তাৰ মানে হ'ল— এশ ঠেং থকা। কিছুমান বিছাৰ পঞ্চাছযোৰ ঠেং আছে। ইঅ'ৰোপৰ হিমানটাৰাম গেব্ৰিলিছ নামৰ বিছাবোৰৰ ১৭১ ৰপৰা ১৭৭ যোৰ ঠেং থকা দেখা যায়!

বৃহত্তম তুষাৰস্তূপ

পৃথিৱীৰ বৃহত্তম তুষাৰস্তূপ দক্ষিণ প্ৰশান্ত মহাসাগৰত ১৯৫৬ চনত আৱিষ্কৃত হৈছে। ইয়াৰ পৰিধি হ'ল ১২০০০ বৰ্গ মাইল। ১৯৫৮ চনত গ্ৰিনলেণ্ডৰ সিপাৰতো বিৰাট উচ্চতাসম্পন্ন তুষাৰস্তূপ আৱিষ্কৃত হৈছে।

হামিং বাৰ্ড

দক্ষিণ আমেৰিকাৰ এটি নিচেই সৰু চৰাইৰ নাম হামিং বাৰ্ড। এই চৰায়ে এক ছেকেণ্ডত ৮০ বাৰ ডেউকা জোকাৰিব পাৰে। তাৰ অৰ্থ হ'ল—দেখাত সৰু হ'লেও আচলতে ই সকলো প্ৰাণীতকৈ শক্তিশালী। এই চৰায়ে আগে-পিছে সোঁৱে-বাঁৱে ইকাতি-সিকাতি ইলুটি-সিলুটিকৈ ইচ্ছামতে উৰিব-ফুৰিব জঁপিয়া-জঁপি কৰিব পাৰে।



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৮ চনৰ মাৰ্চ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিবলাগিব। ১৯৮৮ চনৰ জানুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্ব শ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৭ চনৰ নভেমবাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : মানস পুৰায় — দ্বিতীয় ফটো : নয়ন জুৰায়

পুৰস্কাৰ প্ৰাপক : বন্দনা ডেকা, পাটাচাৰকুছি বিদ্যাপীঠ, বৰপেটা।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

চুপাৰফাইটাৰ!
FOAMING
Forhan's
FLUORIDE
The toothpaste that tightens gums, fights cavities
তেওঁৰ বন্ধুগনে তেওঁক কয় "লিটিল মাষ্টাৰ"
সমগ্ৰ জগতে ক্ৰিকেটৰ পৰম্পৰাত তেওঁক জানে
চুপাৰব্যাটচমেন হিচাবে। কিন্তু সুনিল
গাভাচকাৰে নিজে কয় "মই এজন
চুপাৰফাইটাৰ, মই বিচাৰো মোৰ ল'ৰাটোও
যাতে তেনে হয়। সেয়েহে মই সকুৰ পৰাই
শিকাইছো ফৰহান্স ফ্লোৰাইড টুথপেষ্টৰে
দাঁত মাজিবলৈ–দাঁতৰ ক্ষয় ৰোধৰ বাবে
সচাকৈয়ে চুপাৰফাইটাৰ।"
দাঁতৰ ফাকত ৰৈ যোৱা খাদ্যকনাই
ৰোগ-জীৱানু জন্মাই আৰু তাত নিগৰিত
এচিডে দাঁত ক্ষয় কৰে। ফৰহান্স
চুপাৰফাইটাৰত আছে সক্ৰিয় ফ্লোৰাইড যি
দাঁতৰ আলু মজবুটভাৱে সুৰক্ষিত কৰে।
সেয়েহে ৰোগ বিজাৰু জন্ম নহয় আৰু
দাতবো ক্ষয়ৰোগ নহয়। ফৰহান্সৰ বিশেষ
এচট্ৰিনজেণ্টয়ে আলু মজবুত কৰি ৰাখে।
সেয়েহে দাঁতক দিয়ে মজবুত গাঠনি আৰু
দীৰ্ঘায়ু কৰি ৰাখে।
সুনিলৰ ভাষাত "মই মোৰ ল'ৰাটোক
দিছো ফৰহান্স কেয়াৰ।
আপুনি তাৰ বাবে কি কৰিছে?"
ফৰহান্স

GM-113/86 Ass

Join the dots...and make Jumbo come alive!

Cadbury's

Wildlife BAR

Now, capture the taste of Cadbury's Dairy Milk with Cadbury's Wildlife Bars. Each bar with fun animal shapes on it – and in a range of twelve exciting wildlife wrappers.

Cadbury's Wildlife Bars. Track them down!

A Super treat in every sweet!
SUPER SIZE! SUPER TASTE!
nutrine
SuperStar
Premium toffees
nutrine SuperStar DELITE
nutrine SuperStar TWINTREAT
TWIN TREAT
DELITE
TOP CREAM
Heavenly delights
nutrine ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা চকোলেট
নিউট্ৰিন কনফেকশনেৰী কোম্পানী প্ৰাইভেট লিমিটেড, চিতুৰ, অ. প্ৰ.
CLARION/NC/8636